# চতুৰ্থ অধ্যায়

# অসমৰ সমাজ জীৱনত সত্ৰীয়া সংস্কৃতিৰ আৰ্থ-সামাজিক ভূমিকা ঃ এক বৈজ্ঞানিক দৃষ্টিকোণ

# অসমৰ সমাজ জীৱনত সত্ৰীয়া সংস্কৃতিৰ আৰ্থ-সামাজিক ভূমিকা ঃ এক বৈজ্ঞানিক দৃষ্টিকোণ

অসমৰ জনমানসত সত্ৰসমূহ প্ৰতিষ্ঠা হোৱাৰ আগলৈকে সমাজ ব্যৱস্থাত সামাজিক বান্ধোনৰ কোনো যোগাত্মক অনুষ্ঠান বা ক্ষেত্ৰ নাছিল। সমকালীন অসমৰ ৰাজনৈতিক ক্ষেত্ৰত বিভিন্ন সৰু-বৰ ৰাজ্যৰ মাজৰ সংঘাত আছিল সত্ৰ প্ৰতিষ্ঠা সময়ৰ এক ঐতিহাসিক পটভূমি । তাৰ সমান্তৰালভাবে ধৰ্মীয় ব্যভিচাৰ, লোকশিক্ষাৰ অভাৱ, উচ্চ শ্ৰেণীৰ দমনীয় নীতি, ভোগবাদীৰ পূজা-পাৰ্বণ আদিৰ প্ৰচুৰ প্ৰসাৰ হৈছিল। এনে প্ৰেক্ষাপটত জনগোষ্ঠীয় ভেদাভেদ, সাম্প্ৰদায়িকতা, উচ্চ-নীচৰ পাৰ্থক্য দ্ৰুত গতিত বৃদ্ধি পাইছিল। ফলত অসমৰ সমাজত নাছিল শৃংখলিত ধৰ্ম, সাহিত্য, নৃত্য-গীত, জনসমষ্টিৰ মাজত একতা, সুস্থ সমাজ পৰিচালনাৰ আচাৰ -ব্যৱহাৰ। সেই সময়ত সমাজৰ ধৰ্মীয় পৰিৱেশত জটিলতাই দেখা দিছিল। সমাজ ব্যৱস্থাত ব্ৰাহ্মণীয় শৃংখলা, শাক্ত- শৈৱ পৰম্পৰা আৰু জনজাতীয় ধৰ্মৰ মাজত বহু সংঘৰ্ষ হৈছিল। এনে প্ৰেক্ষাপটত শংকৰদেৱে বৈষ্ণৱ ধৰ্মীয় আচাৰেৰে সত্ৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰি অসমৰ সমাজক এক পৰিশীলিত জীৱনৰ মাৰ্গ দেখুৱাইছিল। শংকৰদেৱে ব্ৰাহ্মণীয় ৰীতি-নীতিৰ পৰিৱৰ্তে ব্ৰহ্মপুত্ৰ উপত্যকাইদি উজাই আহি অসমৰ পূব প্ৰান্তৰ পৰা পশ্চিমলৈকে এক আদৰ্শগত যোগাত্মক সমাজ গঢ় দিবলৈ চেষ্টা কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ পদকে অনুসৰণ কৰি পৰৱৰ্তী সময়ত মাধৱদেৱ, দামোদৰদেৱ, গোপালআতা , বদুলা আতাকে আদি কৰি সন্তসকলে অসমৰ বিভিন্ন স্থানত সত্ৰ অনুষ্ঠান পাতি সমাজ সংস্কাৰৰ ধাৰাবাহিকতা ৰক্ষা কৰাৰ চেষ্টা কৰিলে। সত্ৰক কেন্দ্ৰ কৰিয়ে গাঁৱৰ কাম-কাজ পৰিচালনা হ'বলৈ ল'লে। সত্ৰসমূহে অসমৰ জাতি-জনজাতি সকলো মানুহকে সত্ৰৰ আওতালৈ আনিলে। গাঁৱে গাঁৱে নামঘৰ প্ৰতিষ্ঠা হ'ল। সত্ৰ প্ৰতিষ্ঠাৰ পাঁচশ বছৰৰ পাছত বৰ্তমানো অসমৰ গাঁৱসমূহত সত্ৰকে কেন্দ্ৰ ৰূপে লৈ সমাজ পৰিচালিত হৈ আছে। ক্ৰমে অসমৰ সমাজত গীত-নৃত্য, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, সাজ-পাৰ , অৰ্থনীতি, জীৱন ধাৰণৰ ক্ষেত্ৰখনত সত্ৰানুষ্ঠানবোৰে ঠাই অধিকাৰ কৰিলে।

সত্ৰ-প্ৰতিষ্ঠাৰ প্ৰথম অৱস্থাত শংকৰদেৱৰ আৰু বৈষ্ণৱ ধৰ্মীয় মতৰ সেই সময়ৰ ৰজাসকলে

বিৰোধ কৰিছিল যদিও পৰৱৰ্তী সময়ত কোচ ৰজা নৰনাৰায়ণকে ধৰি আহোম ৰজাসকলে সত্ৰ প্ৰতিষ্ঠা আৰু বৈষ্ণৱ ধৰ্ম প্ৰচাৰত সন্মতি প্ৰকাশ কৰিছিল। সত্ৰসমূহলৈ বৃহৎ পৰিমাণৰ অৰ্থৰ লগতে ভূমি দান দিছিল। এই দান দিয়া ভূমিত সত্ৰসমূহে কৃষি কাৰ্য, ক্ষুদ্ৰ উদ্যোগ গঢ়িছিল। "আহোম ৰাজত্বৰ দিনৰে পৰা অসমৰ সত্ৰসমূহে ৰাজ-পৃষ্ঠপোষকতা লাভ কৰাত অনেক ভূ-সম্পত্তিও দানসূত্ৰে বা উপহাৰসূত্ৰে পাইছিল। কোচ ৰজা নৰনাৰায়ণৰ দিনত সত্ৰসমূহে ৰাজ-দৰবাৰৰ পৰা প্ৰত্যক্ষ পৃষ্ঠপোষকতাও লাভ কৰিছিল। তেতিয়াৰে পৰা ৰাজসূত্ৰে পোৱা অনেক সম্পদ সত্ৰসমূহত সংৰক্ষণ হৈ আহিছে। ৰাজ শাসনৰ অৱসানৰ পিছতো ব্ৰিটিছ চৰকাৰে কিছুমান ভূ-সম্পত্তি আৰু জল-সম্পত্তি সত্ৰসমূহক দান দিছিল। তাৰে ভূ-সম্পত্তিসমূহ মূলতঃ ব্যৱহাৰ কৰা হৈছিল খেতি-বাতি, ফলমূলৰ বাগিচা, শাক-পাছলি ৰোৱা আদি কামত। আনহাতে জলসম্পত্তিবোৰ ব্যৱহাৰ কৰা হৈছিল মূলতঃ মৎস্য উৎপাদনৰ কাৰণে। সত্ৰসমূহে এই দুয়োবিধ সম্পত্তিৰ পৰা হোৱা আয়েৰে আন্তঃগাঁথনিৰ উন্নয়ন কৰাৰ উপৰি সত্ৰ চৌহদত থকা ভকতসকলৰ যাৱতীয় খৰছ বহন কৰিছিল" (হোছেইন ৯৭)। আউনীআটী সত্ৰৰো বৃহৎ পৰিমাণৰ ভূমি আছে। সত্ৰখন উদাস হোৱাৰ বাবে এই সত্ৰৰ ভূমিসমূহ সত্ৰৰ প্ৰতিখন বহাত ভগাই দিয়া আছে যাতে প্ৰতিখন বহাই নিজাধৰণে সেই ভূমিত উৎপাদন কৰি বহাখনৰ প্ৰয়োজনীয়তা পূৰণ তথা অৰ্থ উৎপাদন কৰিব পাৰে। অৱশ্যে বহাখনক সত্ৰই ভূমি কেৱল উৎপাদনৰ বাবেহে প্ৰদান কৰে। ভূমিৰ পৰিৱৰ্তে বহাসমূহে সত্ৰত এক নিৰ্ধাৰিত পৰিমাণৰ ৰাজহ দিব লগা হৈছিল। গড়মূৰ আৰু বৰপেটা সত্ৰতো একে ব্যৱস্থাই আছে । কিন্তু বৰপেটা আৰু গড়মূৰ সত্ৰদুখনত গৃহস্থী ভকত থকাৰ বাবে সত্ৰৰ ভূমিত গৃহস্থী ভকতসকলে খেতি বা অন্যান্য উৎপাদন কৰে । আউনীআটী সত্ৰ,গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰকেইখনৰ বৰ্তমানলৈকে থকা ভূমিৰ পৰিমাণ তলৰ তালিকাত উল্লেখ কৰা হ'ল—

তালিকা—১

**আউনীআটী সত্ৰৰ ভূমিৰ পৰিমাণ**

| **স্থান** | **মাটিৰ পৰিমাণ** |
|---|---|
| **টুনী নৈৰ উত্তৰ পাৰত বৰবামত** | ২৪০ বিঘা (আহোম ৰজা কমেলেশ্বৰ সিংহই দান দিয়া) |
| উত্তৰ গুৱাহাটী | ৬০ বিঘা |
| টিয়ক কলীয়া পানী | ২৫০ বিঘা |
| বান্দৰদেৱা | ০৬ বিঘা |
| অন্যান্য শাখা সত্ৰ বা স্থানত | প্ৰায় ১০০ বিঘা (সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীৰ পৰা পোৱা তথ্য) |
| মুঠ | প্ৰায় ৬৫৬ বিঘা |

সৌজন্য — কমল দত্তৰ সম্পাদিত গ্ৰন্থ, আউনীআটী সত্ৰ সন্দৰ্শন গ্ৰন্থ

তালিকা —২

**বৰপেটা সত্ৰৰ ভূমিৰ পৰিমাণ**

| স্থান | বিঘা | কঠা | লেচা |
|---|---|---|---|
| **বৰপেটা নগৰ** | ১০২৭ | ০৪ | ৯ |
| জটি গাঁও | ২২ | ৩ | ১৪ |
| বাৰাদি | ১৫ | ৪ | ৯ |
| খাবলা ভিঠা (বেতবাৰী মৌজা) | ১২০ | ৩ | ১৫ |
| পূব বজালী (বগাপাৰা) | ১৪০ | ১ | ৮ |
| উত্তৰ বজালী (বামাখাটা) | ৩৫ | ০ | ১৯ |
| মাদলীজাৰ (হাউলী) | ২০ | ২ | ১২ |
| মন্দিয়া গাঁও | ১৩৪ | ৪ | ৯ |
| কপহুৰা (মন্দিয়া) | ৪৯ | ২ | ১৬ |
| ভাতকুছি | ৯৮ | ২ | ১১ |
| তিনি নং বৰদলনি গাঁও (মন্দিয়া) | ২৩ | ৩ | ১০ |
| বৰদলনি ননকে (১,২,৩,৪ চিঠা) | ৩৭৬ | ৪ | ১৪১/২ |
| আগমন্দিয়া | ১৫ | ৩ | ৯ |
| গোপালপুৰ (মন্দিয়া) | ১৪০ | ৩ | ১৪ |
| আগমন্দিয়া (ভেলেঙী নদী সহ) | ১৯৬ | ০ | ১৫ |
| গোবিন্দপুৰ গাঁও (কনৰা সত্ৰ) | ৫০ | ০ | ০ |
| ভেলেঙী মীন মহল (মন্দিয়া) | ৬০০ | ০ | ০ |
| পাথলি কুছি (জনিয়া মৌজা) | ১৭ | ০ | ০ |
| গুৱাহাটী (পাণবজাৰ) | ১ | ০ | ১২ |
| মুঠ | ৩০৮৭ | ০২ | ৬১/২ |

সৌজন্য—ভূপেন্দ্ৰ ৰায়চৌধুৰী, বৰপেটা সত্ৰৰ ইতিবৃত্ত গ্ৰন্থ

তালিকা—৩

**গড়মূৰ সত্ৰৰ ভূমিৰ পৰিমাণ**

| **স্থান** | **মাটিৰ পৰিমাণ** |
|---|---|
| **গড়মূৰ** | ৫০০ বিঘা (প্ৰায়) |
| মুঠ | ৫০০ বিঘা |

সৌজন্য- গড়মূৰ সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ হৰিচন্দ্ৰ দেৱ গোস্বামীৰ পৰাপোৱা তথ্য।

মানুহৰ প্ৰধান প্ৰয়োজনীয় বস্তু অন্ন, বস্ত্ৰ, বাসস্থান। গতিকে সত্ৰপ্ৰতিষ্ঠা বা ধৰ্ম প্ৰচাৰৰ সময়ত শংকৰদেৱে এই দিশটোলৈ গুৰুত্ব দিছিল। সেয়ে তেওঁ সত্ৰৰ দ্বাৰা ভিন্ন ক্ষেত্ৰসমূহত জনসম্পৰ্কৰ চেষ্টা চলাইছিল।

## ৪.১ অৰ্থনৈতিক ভূমিকা

সাম্প্ৰতিক সময়ত এখন দেশৰ প্ৰকৃত উন্নয়ন অৰ্থনীতিৰ ওপৰত নিৰ্ভৰশীল। দেশৰ উন্নয়ন নিৰ্ভৰ কৰে প্ৰতি গৰাকী নাগৰিকৰ অৰ্থ আয়ক কেন্দ্ৰ কৰি। অসমত সত্ৰ প্ৰতিষ্ঠা সময়ত ৰজাৰ শাসন ব্যৱস্থা চলিছিল। প্ৰজাৰ কৃষি কৰ্ম, কাম-কাজৰ ওপৰত ৰজাৰ চোকা দৃষ্টি আছিল। শংকৰদেৱে সেই সময়ৰ অসমৰ মানুহৰ অভাৱ অভিযোগবোৰ কমাবলৈ চেষ্টা কৰিছিল। ধৰ্ম প্ৰচাৰত বা ধৰ্মীয় কাম কাজত যাতে জীৱিকাৰ দিশটো পিছপৰি নাযায় সেই দিশতো গুৰুত্ব দিছিল। কিয়নো জীৱিকা থাকিলেহে এজন মানুহে অন্য কাম বা ধৰ্মলৈ মন কৰিব। সেই দিশৰ প্ৰতি লক্ষ্য ৰাখি বৰ্তমান সময়ৰ গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰখনত সেইসময়তে এক ৰূপৰেখা প্ৰস্তুত কৰিছিল। গ্ৰাম্য অৰ্থনীতিৰ ক্ষেত্ৰত মুখ্যতঃ কৃষি, কুটিৰ শিল্প, পশু পালন আদি দিশ জড়িত থাকে। সত্ৰসমূহে এই দিশকেইটাতে গুৰুত্ব দিছিল। সত্ৰৰ ভকত তথা সত্ৰৰ আশে পাশে বিভিন্ন শিল্পজাত সামগ্ৰী তৈয়াৰ কৰা মানুহক ৰাখিছিল। শংকৰদেৱে বৰপেটাত ধৰ্ম প্ৰচাৰ কৰিবলৈ যাওঁতে বনীয়া শ্ৰেণী , কহাৰ, কমাৰ শ্ৰেণীৰ মানুহক লগত লৈ গৈছিল। সত্ৰক মাধ্যম হিচাপে লৈ সত্ৰৰ প্ৰেক্ষাপটত

সকলো শ্ৰেণীৰ বাবে উপাৰ্জনৰ দিশ মুকলি কৰিছিল। পৰৱৰ্তী সময়ত সত্ৰসমূহে অসমৰ সমাজ ব্যৱস্থাৰ অৰ্থনৈতিক ক্ষেত্ৰখনত গুৰুত্ব দিয়া দিশবোৰ তলত আলোচনা কৰা হ'ল।

### ৪.১.১ কৃষি

অসম এখন কৃষি প্ৰধান ৰাজ্য। অসমৰ মুঠ ভৌগোলিক ভূমিৰ প্ৰায় এক-তৃতীয়াংশ ভূমিত কৃষি কাৰ্য কৰা হয়। অসমত মানুহৰ অৱস্থিতিৰ সময়ৰ পৰাই কৃষি কাৰ্যৰ লগত জড়িত হোৱা কথাটো জানিব পৰা যায়। অসমৰ প্ৰধান খেতি ধান, উদ্যান শস্য, মাহ জাতীয় শস্য আদি কৃষিৰ লগত জড়িত। প্ৰতিখন সত্ৰৰে নিজা ভূমি আছে। ভিন্ন সময়ত ৰজাসকলে দান স্বৰূপে দিয়া ভূমিত সত্ৰসমূহে কৃষি কাৰ্য সম্পাদন কৰি আহিছে। পৰম্পৰাগতভাৱে এই কৃষি ভূমি সত্ৰসমূহে খেতি কৰি আহিছে। উদাস, অৰ্ধউদাস আৰু গৃহস্থী আটাইকেইখন সত্ৰই কৃষিৰ লগত জড়িত। কৃষিয়েই সত্ৰসমূহৰ প্ৰধান অৰ্থনীতি। সত্ৰসমূহে কৰা প্ৰধান কৃষিসমূহ তলৰ তালিকাত উল্লেখ কৰা হ'ল।

তালিকা—৪

**সত্ৰসমূহত হোৱা কৃষি কাৰ্যৰ তালিকা**

| **কৃষি কাৰ্য** | **আউনীআটী সত্ৰ** | **বৰপেটা সত্ৰ** | **গড়মূৰ সত্ৰ** |
|---|---|---|---|
| ধান খেতি | আহু ধান | শালি ধান | আহু ধান |
| | শালি ধান | বৰো ধান | শালি ধান |
| উদ্যান শস্য | কুঁহিয়াৰ খেতি | মৰাপাটৰ খেতি | কুঁহিয়াৰ খেতি |
| | ভোট জলকীয়া খেতি | | |
| | নেমু খেতি | | |
| | বেলি ফুলৰ খেতি | | |
| মাহ জাতীয় শস্য | সৰিয়হৰ খেতি | বাদাম | সৰিয়হ খেতি |
| | মাটি মাহ | | মাটিমাহ |
| | মটৰ | | |
| | খেচাৰি। | | |

সৌজন্য— আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰৰ পৰিচালনা সমিতিৰ পৰা পোৱা তথ্য।

### ৪.১.১.১ ধান খেতি

অসমত কৰা কৃষি কাৰ্যসমূহৰ ভিতৰত ধান খেতি উল্লেখযোগ্য। ৰাজ্যত ৪.১৬ নিযুত হেক্টৰ কৃষিভূমিৰ ২.৫৪ নিযুত হেক্টৰত ধান খেতি কৰা হয়। মুঠ খাদ্য শস্য উৎপাদনত ধানৰ ৯৬ শতাংশ অৱদান আছে ("rice-season") । অসমত কৰা ধানৰ খেতিবোৰ হ'ল—জুন - জুলাই মাহত শালি ধান, মাৰ্চ-এপ্ৰিল-মে মাহত আহু ধান, নৱেম্বৰ ডিচেম্বৰ মাহত বৰো ধান আৰু ডিচেম্বৰ-জানুৱাৰী মাহত বাও ধানৰ খেতি কৰা হয়। সত্ৰকেইখনৰ ধান খেতিৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

## তালিকা—৫

## সত্ৰকেইখনত হোৱা ধান খেতিৰ পৰিমাণ

| সত্ৰৰ নাম | বৰ্ষ | শালি ধান উৎপাদন | আহু ধান উৎপাদন | বৰো ধান উৎপাদন |
|---|---|---|---|---|
| | ২০১৬ | ১০০ কু.প্ৰ. | ১০০ কু.প্ৰ. | ০০ |
| আউনীআটী সত্ৰ | ২০১৭ | ১০০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৮ | ২০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৯ | ১০০ কু.প্ৰ. | ০০ | ০০ |
| | ২০২০ | ১০০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৬ | ৮০ কু.প্ৰ. | ০০ | ০০ |
| গড়মূৰ সত্ৰ | ২০১৭ | ৮০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৮ | ১০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৯ | ৮০ কু.প্ৰ. | ০০ | ০০ |
| | ২০২০ | ৮০ কু.প্ৰ. | ০০ | ০০ |
| | ২০১৬ | ৮০ কু.প্ৰ. | ০০ | ১২০ কু.প্ৰ. |
| বৰপেটা সত্ৰ | ২০১৭ | ৮০ কু.প্ৰ. | ০০ | ১২০ কু.প্ৰ. |
| | ২০১৮ | ৮০ কু.প্ৰ. | ০০ | ১২০ কু.প্ৰ. |
| | ২০১৯ | ৮০ কু.প্ৰ. | ০০ | ১২০ কু.প্ৰ. |
| | ২০২০ | ৮০ কু.প্ৰ. | ০০ | ১২০ কু.প্ৰ. |

সৌজন্য— আউনীআটী সত্ৰৰ ভকত প্ৰবীন পাঠক, ৰুপেশ্বৰ বায়নৰ পৰা পোৱা তথ্য।

গড়মূৰ সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰৰ পৰা পোৱা তথ্য।

বৰপেটা সত্ৰৰ সম্পাদকৰ পৰা পোৱা তথ্য।

আউনীআটী সত্ৰতো ধানৰ খেতি কৰা হয়। সত্ৰৰ ভকতসকলৰ মাজত মাটিবোৰ ভগাই দিয়া আছে। প্ৰতিখন বহাই নিজা ধৰণে খেতি কৰে। অৱশ্যে খেতি কৰাত স্থানীয় ৰাইজে সহায় কৰে। উদাস সত্ৰ হোৱা বাবেই সত্ৰৰ ভকতসকলৰ ৰোৱা - তোলাত অসুবিধা হয়। সেই বাবেই অৰ্থৰ বিনিময়ত অন্যলোকে ধান খেতিত সহায় কৰে। আউনীআটী সত্ৰৰ মাটিবোৰ দ-ঠাই হোৱা বাবে বেছিভাগ মাটিতে আহু ধানৰ খেতি কৰা হয়। লগতে বামচহীয়া মাটিত শালি ধানৰ খেতি কৰা হয়।

গড়মূৰ সত্ৰত সত্ৰৰ গৃহস্থী ভকতসকলে খেতি কৰে। আহু আৰু শালি দুইবিধ ধানৰ খেতি কৰে। স্থানীয় মিচিং লোকসকলেও সত্ৰৰ আধি খেতি কৰে।

বৰপেটা সত্ৰত বৃহৎ পৰিমাণৰ কৃষি ভূমি আছে। এই কৃষি ভূমি সত্ৰই স্থানীয় মানুহক আধি হিচাপে খেতি কৰিবলৈ দিয়ে। শালি আৰু বৰো দুইবিধ খেতি বৰ্তমান কৰা হয়। মুছলমান আৰু হিন্দু দুয়ো শ্ৰেণী মানুহেই সত্ৰৰ মাটিত খেতি কৰে।

**৪.১.১.২ উদ্যান শস্য**

সত্ৰসমূহত কৰা কৃষিৰ ভিতৰত উদ্যান শস্য উল্লেখযোগ্য। সত্ৰসমূহত বিশেষকৈ কুঁহিয়াৰ, নেমু, ভোট জলকীয়া, বেলিফুল, মৰাপাট আদিৰ খেতি কৰা দেখা যায়।

আউনীআটী সত্ৰৰ মাজুলীত ২০১৯ চনত প্ৰবীন শইকীয়াই প্ৰায় ৩০০ জোপা ভোঁট জলকীয়া খেতি কৰে। টীয়ক কলিয়াপানীৰ আউনীআটী শাখা সত্ৰত ভাস্কৰ হাজৰিকাই ২০২০ চনত প্ৰায় ৫০০০ জোপা ভোট জলকীয়া আৰু ৩০০ জোপা নেমু খেতি কৰে। উত্তৰ গুৱাহাটী আউনীআটী শাখা সত্ৰত যোগেশ শইকীয়াৰ নেতৃত্বত প্ৰায় ১০৫৫ জোপা নেমু খেতি কৰে। আউনীআটী সত্ৰত নতুনকৈ কৰা আন এক উদ্যান শস্য হ'ল বেলি ফুলৰ খেতি। প্ৰায় ৩ বিঘা মাটিত এই খেতি কৰে প্ৰবীন শইকীয়াই।

অসমত কৰা কৃষিসমূহৰ ভিতৰত কুঁহিয়াৰ খেতি উল্লেখযোগ্য। অসমত প্ৰায় ত্ৰিশ হেক্টৰ কৃষিভূমিত কুঁহিয়াৰ খেতি কৰা হয়। আউনীআটী আৰু গড়মূৰ সত্ৰতো কুঁহিয়াৰ খেতি কৰা হয়। দুইখন সত্ৰ মাজুলীত অৱস্থিত। নদীৰ চাপৰি মাটিত সত্ৰদুখনে কুঁহিয়াৰ খেতি কৰা দেখা যায়। কুঁহিয়াৰ খেতিৰ পৰা উৎপাদিত গুৰ সত্ৰৰ কাম কাজত ব্যৱহাৰ কৰা হয়। তদুপৰি বহাসমূহে নিজে ব্যৱহাৰ কৰে। কিছু পৰিমাণে স্থানীয় বজাৰত বিক্ৰী কৰা হয়।

বৰপেটা সত্ৰত উদ্যান শস্যৰ ভিতৰত মৰাপাটৰ খেতি দেখা যায়। চৰ চাপৰি অঞ্চলৰ মুছলমান সম্প্ৰদায়ৰ লোকে এই খেতি কৰে। সেয়া তলত উল্লেখ কৰা হ'ল।

**তালিকা—৬**

**উদ্যান শস্যৰ তালিকা**

| সত্ৰৰ নাম | বৰ্ষ | কু.খে | ভো.জ.খে | নে.খে | বে.খে | ম.খে | ক.খে |
|---|---|---|---|---|---|---|---|
| | ২০১৬ | ৭০টি.প্ৰ. | | | | | |
| | ২০১৭ | ৬০**টি. প্ৰ** | | | | ৫০ কি. | |
| আউনীআটী | ২০১৮ | ৮০**টিন প্ৰায** | ০০ | | ১ **কু.** | | |
| সত্ৰ | ২০১৯ | ১০০**টি.** | ৫০০**কে.** | ৫০০ ০০**টা** | | | |
| | ২০২০ | ৮০**টি** | . ৫ **কু** | ১,৩৫, ৫০০ **টা** | | | |
| | ২০১৬ | ২৫**টিন প্ৰ.** | | | | | |
| | ২০১৭ | ২৫**টিন প্ৰ** | | | | | |
| গড়মূৰ সত্ৰ | ২০১৮ | ২৫**টিন প্ৰ** | | | | | |
| | ২০১৯ | | | | | | |
| | ২০২০ | | | | | | |
| | ২০১৬ | | | | ৩ **কুই** | | |
| | ২০১৭ | | | | ৩ **কুই** | | |
| বৰপেটা সত্ৰ | ২০১৮ | | | | ২ **কুই** | | |
| | ২০১৯ | | | | ৩ **কুই** | | |
| | ২০২০ | | | | ১ **কুই** | | |

**সৌজন্য—** আউনীআটী সত্ৰৰ ভকত প্ৰবীন পাঠক, ৰুপেশ্বৰ বায়নৰ পৰা পোৱা তথ্য।

গড়মূৰ সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰৰ পৰা পোৱা তথ্য।

বৰপেটা সত্ৰৰ সম্পাদকৰ পৰা পোৱা তথ্য।

### ৪.১.১.৩ মাহ জাতীয় শস্য

অসমৰ কৃষি ভূমি মাহজাতীয় শস্যৰ বাবেও উপযোগী। নৈৰ চাপৰি অঞ্চলত মাহজাতীয় শস্যৰ খেতি কৰা হয়। অসমত বিশেষকৈ মাটিমাহ, মগুমাহ,মটৰ, খেচাৰি মাহৰ খেতি উল্লেখযোগ্য। আউনীআটী, গড়মূৰ সত্ৰই মাহজাতীয় শস্যৰ খেতি কৰা দেখা যায়। বিশেষকৈ মাটিমাহ, মগুমাহ, নহৰু আৰু মটৰ খেতি কৰা হয়।

বৰপেটা সত্ৰৰ মাটিত বাদামৰ খেতি কৰে। এই খেতি যথেষ্ট উৎপাদন হয়। নৈৰ বালি মাটি এই খেতিৰ বাবে উপযোগী। সেইসমূহ তলত উল্লেখ কৰা হ'ল।

**তালিকা—৬**

**মাহজাতীয় শস্যৰ তালিকা**

| সত্ৰৰ নাম | বৰ্ষ | সৰিয়হ খেতি | মটৰ খেতি | বাদাম খেতি |
|---|---|---|---|---|
| | ২০১৬ | | | |
| | ২০১৭ | | | |
| আউনীআটী | ২০১৮ | ১ কু. | | |
| সত্ৰ | ২০১৯ | | ২ কু. | |
| | ২০২০ | ১ কু | | |
| | ২০১৬ | | | |
| | ২০১৭ | | | |
| বৰপেটা সত্ৰ | ২০১৮ | | | ৫০ কু |
| | . ২০১৯ | | | ৫০ কু |
| | ২০২০ | | | ৫০ কু |

**সৌজন্য—** আউনীআটী সত্ৰৰ ভকত প্ৰবীন পাঠক,ৰুপেশ্বৰ বায়নৰ পৰা পোৱা তথ্য।

গড়মূৰ সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰৰ পৰা পোৱা তথ্য।

বৰপেটা সত্ৰৰ সম্পাদকৰ পৰা পোৱা তথ্য।

সত্ৰসমূহত বছৰি কৃষি ভূমিত কৰি অহা ধান খেতি, কুঁহিয়াৰ খেতি আৰু মাহজাতীয়

শস্যৰ খেতিসমূহ কেৱল পৰম্পৰাগত ভাৱেহে কৰি আহিছে। যিমান পৰিমাণৰ উৎপাদন হয় তাৰ ওপৰতেই সত্ৰৰ অৰ্থনৈতিক স্থিতি নিৰ্ভৰ কৰা হয়। বৃহৎ পৰিমাণৰ কৃষিভূমি তিনিওখন সত্ৰৰে আছে কিন্তু তাৰ তুলনাত উৎপাদনৰ হাৰ কম। অৱশ্যে যিমান পৰিমাণৰ উৎপাদন হয় তাৰ জৰিয়তে স্থানীয় মানুহ উপকৃত হৈছে। বিশেষকৈ বৰপেটা সত্ৰৰ কৃষিভূমিৰ পৰা বৃহৎ অঞ্চলৰ লোক লাভবান হৈছে। খেতিৰ আধা অংশ খেতি কৰা ব্যক্তিজনে লাভ কৰে আৰু তাৰ পৰা সেই পৰিয়ালটো অৰ্থনৈতিক ভাৱে উপকৃত হয়। বাকী দুখন সত্ৰতো একেটা কথাই দেখিবলৈ পোৱা যায়। অৱশ্যে কৃষিভূমিসমূহত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰা হোৱা নাই। ফলত উৎপাদিত উপাদাৰৰ পৰিমাণ কম। যদিহে বৈজ্ঞানিক পদ্ধতিৰে কৃষি কাৰ্য কৰে আৰু বছৰি কেইবাটাও খেতি কৰা হয় তেন্তে উৎপাদনৰ পৰিমাণ বৃদ্ধি পোৱা সম্ভাৱনা আছে।

### ৪.১.২ কুটীৰ শিল্প

কুটীৰ অৰ্থাৎ ঘৰতে তৈয়াৰ কৰা বা উৎপাদন কৰা কাৰ্যকে বুজায়। কুটীৰ শব্দৰ অৰ্থ চালে দেখা যায় যে 'কুটা' শব্দৰ অৰ্থ কাম, কুটীৰ শব্দই ঘৰ বুজায় আৰু 'শিল্প' অৰ্থাৎ কাৰ্য । গতিকে ঘৰত কৰা কাম-কাজেই কুটীৰ 'শিল্প'। অৱশ্যে 'শিল্প' বুলি কোৱা লগে লগে কলা-কৌশলযুক্ত কাৰ্যহে বুজায়। ভাৰত তথা অসমত এই ধৰণৰ উদ্যোগবোৰ ঐতিহাসিক দিনৰ পৰাই পোৱা যায়। কুটীৰ শিল্প হিচাপে পৰিচিত উদ্যোগবোৰৰ চৰ্চা অসমত পোৱা যায়। অসমত থকা কুটীৰ শিল্পসমূহৰ ভিতৰত বয়ন শিল্প, বাঁহ-বেতৰ শিল্প, ভাস্কৰ্য শিল্প, মৃৎ শিল্প, হাতীদাঁতৰ শিল্প, কাঁহ পিতলৰ শিল্প, কাঠ শিল্প,কমাৰ আদিয়ে প্ৰধান।

অসমত কুটিৰ শিল্পৰ স্থিতি পুৰণি কালৰ পৰাই পোৱা যায়। "কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মাই প্ৰীতিৰ চিন স্বৰূপে তেওঁৰ মিত্ৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ আমাৰ দেশৰ শিল্পজাত পাটৰ কাপোৰ, বাঁহৰ বাচন,বাঁহৰ ফুলাম বৰ জাপি, হাতী দাঁতৰ পাটী, সাঁচিপাত আদি ভালেমান বস্তু উপঢৌকণ দিছিল"(গোহাঁই ভূমিকা)। অসমৰ পৌৰাণিক পুথি-পাজিৰ বাবে প্ৰস্তুত কৰা সাঁচিপাতৰ উৎপাদনে অসমত কুটীৰ শিল্পৰ অৱস্থিতিৰ প্ৰমাণ দিয়ে। তদুপৰি বৰ্তমান অসমৰ সমাজ ব্যৱস্থাত দৈনন্দিন ভাৱে ব্যৱহাৰ্য পাচি, খৰাহী, ঢাৰি, আদি বাঁহ-বেতৰ সামগ্ৰীয়ে অসমৰ কুটীৰ শিল্পৰ

পৰিচয় বহন কৰে। দৈনন্দিন অসমৰ সমাজত ব্যৱহাৰ্য সামগ্ৰীসমূহৰ পৰা অৰ্থনৈতিক ক্ষেত্ৰখনত প্ৰভাৱ পৰে। কুটীৰ শিল্প উদ্যোগ তথা ব্যৱসায় হোৱাৰে পৰা ইয়াৰ সৈতে অৰ্থৰ দিশটো জড়িত হৈ আহিছে।

অসমৰ বৈষ্ণৱ ধৰ্ম প্ৰচাৰাৰ্থে প্ৰতিষ্ঠা হোৱা সত্ৰসমূহত ধৰ্ম চৰ্চাৰ উপৰিও শিল্প জাত সামগ্ৰীৰ অৱস্থিতি মন কৰিবলগীয়া। শংকৰদেৱে ধৰ্ম প্ৰচাৰ কৰা সময়ত সকলো শ্ৰেণীৰ মানুহকে অগ্ৰাধিকাৰ দিছিল। বৰপেটাত ধৰ্ম প্ৰচাৰ কৰা সময়ত লগত বণিয়া, কমাৰ, কঁহাৰ শ্ৰেণী মানুহে বৈষ্ণৱ ধৰ্মত যোগ দিছিল। ইয়াৰ প্ৰমাণ পোৱা যায়— সমাজক উদ্দেশ্যি প্ৰতিষ্ঠা লাভ কৰা সত্ৰসমূহে সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ কৰ্মক স্বীকাৰ কৰি তাক স্থান দিছিল সত্ৰৰ বিভিন্ন কাম কাজত। সাম্প্ৰতিক অসমৰ সত্ৰসমূহৰ চৌহদৰ আশে পাশে বা সত্ৰ এলেকাৰ ভিতৰত এনে কুটীৰ শিল্পৰ লগত জড়িত উদ্যোগ পোৱা যায়। সত্ৰসমূহে নিজা প্ৰচেষ্টাতো কুটীৰ শিল্পজাত সামগ্ৰী প্ৰস্তুত কৰা দেখা পোৱা যায়। আউনীআটী, গড়মূৰ আৰু বৰপেটা সত্ৰতো এনে কুটীৰ শিল্প চৰ্চা কৰা পৰিলক্ষিত হয়। তলত আলোচিত সত্ৰকেইখনত ব্যৱহৃত কুটীৰ শিল্পৰ তালিকা উল্লেখ কৰা হ'ল।

### তালিকা—৮

### কুটীৰ শিল্পৰ তালিকা

| কুটীৰ শিল্প | আউনীআটী সত্ৰ | বৰপেটা সত্ৰ | গড়মূৰ সত্ৰ |
|---|---|---|---|
| বাঁহ বেতৰ শিল্প | বেতৰ বিচনী<br>কঠ | | |
| ভাস্কৰ্য শিল্প | | গুৰু আসন, নামসিংহ, গছা,<br>পিতলৰ কলচি। | |
| মৃৎ শিল্প | | চাকি,কাপ,গিলাচ,টেৰা,মলা,<br>আতচবাজীৰ খাজ। | |
| কাঁহ পিতলৰ শিল্প | | ভোৰ তাল,খুটি তাল, কলচি<br>ঘটি,কলহ,চৰিয়া,গছা। | |
| কমাৰ শিল্প | | গছা, দা, কুঠাৰ, কটাৰী। | |
| অসমীয়া গহনা | | গামখাৰু, মুঠি খাৰু, জোন-বিৰি<br>কাণফুলি,মাদলি আদি। | |

সৌজন্য— ক্ষেত্ৰঅধ্যয়নত সত্ৰকেইখনৰ পাৰিপাৰ্শ্বিক পৰিৱেশত পোৱা তথ্য।

**(ক) বাঁহ-বেতৰ শিল্প**

অসমৰ থলুৱা কুটীৰ শিল্পৰ ভিতৰত বাঁহ বেতৰ শিল্প উল্লেখযোগ্য। অসমত বাঁহ আৰু বেত গছৰ পৰিমাণ অধিক। সহজতে অসমৰ হাবিবোৰত এই দুইবিধ গছ পোৱা যায়। এবাৰ এই গছ ৰোপন কৰিলে সহজে বৃদ্ধি হয় আৰু উৎপাদনো ভাল হয়। অসমৰ বিভিন্ন জনজাতীয় মানুহৰ ঘৰে ঘৰে বিভিন্ন সামগ্ৰী বাঁহ আৰু বেতেৰে সাজি লয়। মানুহৰ দৈনন্দিন ব্যৱহাৰ্য ডলা, কুলা, চালনী, বিচনী, ঢাৰি আদি বিভিন্ন সামগ্ৰী বাঁহ-বেতেৰে নিৰ্মাণ কৰা হয়। কৃষি কৰ্মৰ সঁজুলিসমূহো বাঁহৰ পৰা নিৰ্মাণ কৰা। সত্ৰসমূহত সমাজত ব্যৱহাৰ কৰা সামগ্ৰীসমূহেই ব্যৱহাৰ কৰা হৈছিল। সেয়ে সত্ৰসমূহে বাঁহ বেতৰ সামগ্ৰী প্ৰস্তুত কৰিছিল। সাম্প্ৰতিক বাঁহ-বেতৰ সামগ্ৰীৰ ব্যৱহাৰ

অসমীয়া সমাজত পূৰ্বতকৈ কিছু পৰিমাণে কমি আহিছে। আগৰ সময়ত প্ৰতিখন ঘৰত নিজে এই সামগ্ৰী সাজি লৈছিল। বৰ্তমান সাজিব নজনা বা তেনে শিক্ষা নথকা বাবে তেনে সামগ্ৰী বিক্ৰীৰ ব্যৱস্থা দিনক দিনে বাঢ়িছে। ফলত বাঁহ বেতৰ সামগ্ৰী নিৰ্মাণ কৰিব জনা ব্যক্তিসকলৰ বাবে এক আৰ্থিক উপাৰ্জনৰ পথ মুকলি হৈছে।

আউনীআটী, গড়মূৰ আৰু বৰপেটা সত্ৰতো বাঁহ বেতৰ শিল্প চৰ্চা অব্যাহত আছে। বজাৰৰ চাহিদা, মানুহৰ আকৰ্ষণলৈ লক্ষ্য কৰি বাঁহ-বেতৰ সামগ্ৰী নিৰ্মাণ কৰি ব্যৱসায় কৰিছে। ফলত আৰ্থিক ভাৱে লাভান্বিত হোৱাৰ লগতে অসমৰ শিল্পকৰ্মৰ ক্ষেত্ৰখনো স্বচ্ছল হোৱা দেখা যায়।

আউনীআটী সত্ৰত বাঁহ বেতৰ কুটীৰ শিল্পৰ চৰ্চা বৰ্তমান দেখা পোৱা যায়। সত্ৰত থকা উদাসীন ভকতসকলে আজৰি সময়ত বাঁহ বেতৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰে। বাঁহ-বেতৰ সামগ্ৰীসমূহৰ ভিতৰত বেতৰ বিচনী আউনীআটী সত্ৰৰ জনপ্ৰিয় শিল্পকৰ্ম। পৰম্পৰাগত ভাৱেই এই সত্ৰত বেতৰ বিচনী প্ৰস্তুত কৰি আহিছে। কিন্তু সাম্প্ৰতিক এই বিচনীৰ চাহিদা বহু বৃদ্ধি পাইছে। শেহতীয়াকৈ ২০১৬ চনৰ পৰা ২০২০ চনলৈ বিচনীৰ দাম নিৰীক্ষণ কৰিলে এই কথাৰ প্ৰমাণ পাব পাৰি। চাহিদা বৃদ্ধিৰ লগে লগে বিচনীসমূহত আধুনিক কাৰু কাৰ্যৰে সৌন্দৰ্যৰ দিশটো নিৰ্মাণকাৰী সকলে গুৰুত্ব দিছে। হেঙুল হাইতালেৰে বিচনীৰ নাল ৰং কৰি অধিক সৌন্দৰ্যশালী কৰি তুলিছে। সত্ৰৰ চৌহদত থকা দোকানতে এই বিচনীসমূহ বিক্ৰী হয়। ইয়াৰ উপৰি বেতৰ বেগ, মুঠাবন-পাটিদৈৰ পৰা বেগ আদি তৈয়াৰ কৰে। বাঁহৰ ফুল সঁজোৱা সামগ্ৰী, ঘৰত সজাবলৈ ব্যৱহাৰ কৰা জাকৈ-চালনী, পাচি-খৰাহী আদি সামগ্ৰী তৈয়াৰ কৰা হয়। সাম্প্ৰতিক এই সামগ্ৰীসমূহৰ ব্যৱহাৰ মানুহৰ ঘৰত কম ব্যৱহাৰ হয় বাবে বহু মানুহে ঘৰত সজাই থ'বলৈকে এই সামগ্ৰীসমূহৰ ব্যৱহাৰ কৰে। ইয়াৰ উপৰি বাঁহৰ ময়ূৰ, বগলী আদি বিভিন্ন ধৰনৰ সামগ্ৰী নিৰ্মাণ কৰা হয়। সেয়া তলতৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা—৯**

**বাঁহ বেতৰ শিল্পৰ তালিকা**

| শিল্প | নিৰ্মাতা বা উৎপাদন প্ৰতিষ্ঠান | বাৰ্ষিক আয় (গড়ে প্ৰতিজনৰ) |
|---|---|---|
| বেতৰ বিচনী | ২৫ জন | ৪০,০০০ টকা |
| কঠ | ৩০ জন | ১০০০ টকা |

সৌজন্য—আউনীআটী সত্ৰৰ ভকত ৰূপেশ্বৰ বায়নৰ পৰা পোৱা তথ্য।

**(খ) মৃৎ শিল্প**

কুটীৰ শিল্পৰ লগত জড়িত আন এক উপাদান হ'ল মৃৎশিল্প। মাটিৰ সহায়ত কৰা কৰ্মই মৃৎ শিল্প। অৱশ্যে মৃৎ শিল্পকৰ্মৰ বাবে সকলো মাটি উপযোগী নহয়, চীনামাটি, আলতীয়া মাটিৰ সহায়তহে মৃৎ শিল্পৰ সামগ্ৰীসমূহ নিৰ্মাণ কৰা হয়। অসমত নৈ পৰীয়া জলাহ ভূমিত এই মাটি পোৱা যায়। মৃৎ শিল্পৰ লগত মানুহৰ সম্পৰ্ক বহু পুৰণি। বিজ্ঞান প্ৰযুক্তিৰে লো,সোণ, তাম আদিৰ সামগ্ৰীবোৰ প্ৰস্তুত কৰাৰ পূৰ্বৰে পৰা মাটিৰ সামগ্ৰী মানুহে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আহিছে। বৰ্তমান সময়ত আধুনিক ভিন্ন সামগ্ৰীসমূহে মাটিৰ সামগ্ৰীবোৰৰ চাহিদা নোহোৱা কৰিছে যদিও ঠাইভেদে ইয়াৰ ব্যৱহাৰ কৰা দেখা যায়। সত্ৰসমূহৰ ভিন্ন কামত মাটিৰ পাত্ৰ প্ৰয়োজন হয় বা ব্যৱহাৰ কৰে। সত্ৰৰ অন্তৰ্গত মানুহে এই সামগ্ৰীসমূহ তৈয়াৰ কৰে আৰু প্ৰয়োজনত বিক্ৰী কৰে। সত্ৰ সমূহত ব্যৱহাৰ কৰা মাটিৰ পাত্ৰসমূহ হ'ল— চাকি, ধূনা বাতি, মলা, কলহ, টেকেলি আদি। অৱশ্যে সত্ৰসমূহত কিছু বছৰ আগলৈকে মাটিৰ পাত্ৰতে ভাত ৰান্ধিছিল, বৰ্তমান সেই ঠাই আধুনিক পাত্ৰই ল'লে। সকলো সত্ৰতে এইসমূহ মাটিৰ পাত্ৰ ব্যৱহাৰ কৰা হয়। অৱশ্যে আলোচ্য সত্ৰসমূহৰ ভিতৰত বৰপেটা সত্ৰত হে এই শিল্পকৰ্মৰ চৰ্চা অব্যাহত আছে।

বৰপেটা সত্ৰৰ অন্তৰ্গত গৃহস্থী ভকতে মৃৎ শিল্পৰ চৰ্চা কৰে। সত্ৰৰ অন্তৰ্গত এই ভকতসকলৰ মূল উপাৰ্জনৰ মাধ্যম মৃৎ শিল্প। বিশেষকৈ তেওঁলোকৰ ঘৰৰ মহিলা, ছোৱালীসকল এই কৰ্মৰ লগত বেছিকৈ জড়িত। মাটিৰে সজা পাত্ৰসমূহ পোৰা কামটো পুৰুষসকলে কৰে। অৱশ্যে পুৰুষসকলো পাত্ৰ সজা কৰ্মত জড়িত হয় যিসকলে অন্যান্য কাম নকৰে। তেওঁলোকে মাটিৰে সজা সামগ্ৰীবোৰ হ'ল— চাকি, কাপ, গিলাচ, টেৰা, মলা আদি। এই পাত্ৰসমূহ নিৰ্মাণত পৰম্পৰাগত

পদ্ধতি প্ৰয়োগ কৰে। মাটিবোৰ খচিলৈ হাতেৰে নিমজ কৰে। আধুনিক যন্ত্ৰ পাতিৰ ব্যৱস্থা নাই। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যে তেওঁলোকৰ উপযুক্ত মাটিৰ অভাৱ। তেওঁলোকে গুৱাহাটী দীপৰ বিলৰ পৰা মাটি নি এই শিল্পকৰ্ম চৰ্চা অব্যাহত ৰাখিছে।

বৰ্তমান তেওঁলোকৰ আটাইতকৈ চাহিদা থকা মৃৎ শিল্পটো হৈছে আতচবাজীৰ বাবে প্ৰয়োজনীয় খাজ বা খাজা। বৰপেটাত আতচবাজীৰ উদ্যোগ গঢ়ি উঠাৰ বাবে সেই উদ্যোগবোৰক তেওঁলোকে খাজ যোগান ধৰে। তলৰ তালিকাত সেয়া উল্লেখ কৰা হ'ল।

**তালিকা—১০**

**মৃৎ শিল্পৰ তালিকা**

| শিল্প | নিৰ্মাতা বা উৎপাদন প্ৰতিষ্ঠান | বাৰ্ষিক আয় (গড়ে প্ৰতিজনৰ) |
|---|---|---|
| চাকি,কাপ, গিলাচ,টেৰা, আ.খাজা | ৪০ ঘৰ (সত্ৰৰ ওচৰত) | ১,০০০০০ টকা |

সৌজন্য— ফুল কুমাৰী দাস ক্ষেত্ৰ অধ্যয়নত প্ৰাপ্ত তথ্য।

**(গ) ভাস্কৰ্য শিল্প**

বৰপেটা সত্ৰত কীৰ্তনঘৰৰ মূল প্ৰৱেশ দুৱাৰ, দুৱাৰৰ ওপৰ ভাগৰ কপালি অংশ, উত্তৰ দিশে থকা দুৱাৰ আৰু কপালি অংশ আদিত ভাস্কৰ্য খোদিত আছে। সেই কেইখন পুৰণি ভাস্কৰ্য যেন দেখাতে অনুমান হয়। দুৱাৰ কেইখন আৰু কপালী কেইখনত চিলভাৰ প্ৰলেপ আছে। তাত বিষ্ণুৰ বিভিন্ন অৱতাৰৰ চিত্ৰ খোদিত আছে। সত্ৰৰ কীৰ্তন ঘৰৰ চাৰিবেৰত কাঠৰ কিছুমান খোদিত কৰা মূৰ্তিৰ ফলক আছে। বৰপেটা সত্ৰৰ কীৰ্তন ঘৰৰ বেৰকে ধৰি আতাৰ ভিঠিসমূহত সপ্ত বৈকুণ্ঠ আৰু কৃষ্ণৰ লীলা সম্পৰ্কীয় ভিন্ন সময়ৰ চিত্ৰ খোদিত কৰা আছে। শ্ৰীৰাম আতাৰ ভিঠিত নীৰ বৈকুণ্ঠ, বুঢ়া আতাৰ ভিঠিৰ কপালিত চতুৰ্ভূজ শ্ৰীকৃষ্ণ অথবা হংস বিলাস বৈকুণ্ঠ, বদুলা আতাৰ ভিঠিত নাগ নাৰায়ণ আৰু লক্ষ্মী অৰ্থাৎ শ্বেত বিলাস বৈকুণ্ঠ, কীৰ্তনঘৰৰ টুপৰ দুৱাৰৰ কপালিত সহস্ৰ ফণাযুক্ত অনন্তক, চতুৰ্ভূজযুক্ত শঙ্খ-চক্ৰ-গদাপদ্মধাৰী বিষ্ণুৰ চিত্ৰ অৰ্থাৎ কালপুৰুষ বৈকুণ্ঠ,মঠৰ দক্ষিণ ফালে আৰু বৰপেটা কীৰ্তনঘৰৰ বেৰৰ উত্তৰ ফালে নিমি ৰজা আৰু নৰসিদ্ধৰ মূৰ্তি, বুঢ়া

আতাৰ ভিঠিত মৈত্ৰেয়, বিদুৰ, উদ্ধৱ, দাৰুক, বসুদেৱ, দৈৱকী, অৰ্জ্জুনৰ মূৰ্তি খোদিত আছে। কীৰ্ত্তনঘৰৰ পশ্চিমফালৰ টুপৰ তলৰ দুৱাৰত —হনুমান, জাম্ববান, বিভীষণ, উদ্ধৱ, বিদূৰ, মৈত্ৰেয় খোদিত আছে। দুৱাৰৰ ওপৰৰ কপালিত সহস্ত্ৰ ফণাযুক্ত অনন্তৰ কোলাত অষ্টভূজত নাৰায়ণৰ মূৰ্তি খোদিত আছে। দুৱাৰৰ উত্তৰফালৰ পৰা ক্ৰমে— দশ অৱতাৰ মৎস্য, কুৰ্ম , বৰাহ, নৰসিংহ, বামণ আৰু দুৱাৰৰ পৰা দক্ষিণফাললৈ ক্ৰমে পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বুদ্ধ আৰু কল্কী মূৰ্তি খোদিত আছে। কীৰ্ত্তনঘৰৰ উত্তৰ বেৰখনৰ বাহিৰফালে বেৰত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, ইন্দ্ৰ, বৰুণ, অগ্নি, অশ্বিনী কুমাৰ আদি দেৱৰতাসকলৰ উপৰিও ভাগৱতৰ বৰ্ণিত আখ্যানৰ চিত্ৰ খোদিত আছে। কীৰ্ত্তনঘৰৰ দক্ষিণৰ বেৰখনৰ বাহিৰফালে যমৰ নৰক যন্ত্ৰণা প্ৰমুখ্যে ভাগৱতত বৰ্ণিত আখ্যানৰ চিত্ৰ খোদিত আছে। কীৰ্ত্তনঘৰৰ উত্তৰফালে থকা ঘাই দুৱাৰমুখৰ দুপতিয়া দুৱাৰত ব্ৰহ্মা, স্বায়ম্ভূৱ মনু, হৰ, কপিল, সনত কুমাৰ, শুকদেৱ, ভীষ্ম, বলিৰায়, যম, জনক, নাৰদ, প্ৰহ্লাদ আদি বাৰজন বৈষ্ণৱৰ মূৰ্তি খোদিত আছে। কীৰ্ত্তনঘৰৰ চৌহদত প্ৰৱেশ কৰা দক্ষিণৰ দুৱাৰখনৰ ওপৰৰ কপালিত ভিতৰফালে গৰুড়ৰ ওপৰত অষ্টভজ নাৰায়ণ, আৰু বাহিৰৰ ফালে গদাধাৰী জয়-বিজয় মূৰ্তি খোদিত আছে। উত্তৰ ফালে থকা তোৰণৰ বাহিৰফালে গদাধাৰী জয়-বিজয়ৰ মূৰ্তি খোদিত আছে।

ইয়াৰ উপৰিও বৰপেটা সত্ৰৰ কীৰ্ত্তনঘৰত থকা তিনিখন আসনত ৰূপ আৰু তামৰ ফুল খোদিত আছে। ভাগৱত পঢ়িবলৈ দিয়া ঠগাখনত তামৰ খোদিত কৰা গৰুড় ভাস্কৰ্যৰ নিদৰ্শন পোৱা যায়। সত্ৰখনৰ বুঢ়াভকতৰ বহাবোৰতো কাঠ ভাস্কৰ্যৰ কলা নিদৰ্শন পোৱা যায়। উল্লেখযোগ্য কথাটো হ'ল বৰপেটা সত্ৰৰ বেৰত খোদিত ভাস্কৰ্যসমূহ স্থানীয় ব্যক্তিয়ে খোদিত কৰা।

বৰপেটা সত্ৰৰ অন্তৰ্গত স্থানীয় হাটীসমূহত বৰ্তমানো ভাস্কৰ্য কলা চৰ্চাৰ প্ৰমাণ পোৱা যায়। গুৰু আসন, গৰুড়, বিভিন্ন মূৰ্ত্তি আদিত ভাস্কৰ্য দেখা যায়। বৰপেটা সত্ৰৰ আশে- পাশে থকা দোকানত গুৰু আসন বিক্ৰী কৰে। আধুনিক পদ্ধতিৰে গুৰু আসনসমূহ নিৰ্মাণ কৰে যাতে সহজতে এঠাইৰ পৰা আন ঠাইলৈ লৈ যাব পাৰে। বৰপেটা সত্ৰৰ বিভিন্ন হাটীসমূহত থকা কমাৰ-কঁহাৰ শালসমূহত লোৰ গছা, মন্দিৰৰ ওপৰত দিয়া কলচি আদি নিৰ্মাণ কৰা হয়। লোৰে নিৰ্মিত এই সম্পদতসমূহত কলাসূলভতা দেখা পোৱা যায়। গছাসমূহত ময়ূৰ আদি খোদিত কৰা থাকে।

আউনীআটী সত্ৰতো ভাস্কৰ্য চৰ্চাৰ নিদৰ্শন পোৱা যায়। আউনীসত্ৰৰ মূল তোৰণ, শাখা সত্ৰসমূহৰ তোৰণসমূহ লক্ষ্য কৰিলেই দেখা পোৱা যায় বিভিন্ন ভাস্কৰ্যৰ চিত্ৰ। টিয়ক কলিয়াপানীত থকা শাখা সত্ৰৰ তোৰণভাগত গ্ৰাহ,গজেন্দ্ৰ আৰু পদ্মফুলৰ ভাস্কৰ্য দেখা পোৱা যায়। মাজুলীস্থিত সত্ৰখনত মণিকূটৰ মূল আসন বৰপেটা বা গড়মূৰ সত্ৰৰ দৰে নহয়। সত্ৰখনৰ আসনত মূৰ্তি স্থাপন কৰা আছে। আসনৰ গঠন তথা আৰ্হিৰ লগত অন্যান্য সত্ৰৰ আসনৰ পাৰ্থক্য আছে। অৱশ্যে পৰৱৰ্তী সময়ত স্থাপন কৰা আউনীআটী শাখা সত্ৰসমূহত গুৰু আসন অথবা সিংহাসন স্থাপন কৰা হৈছে। সেই আসনসমূহত মূৰ্তিৰ পৰিৱৰ্তে ভাগৱত শাস্ত্ৰ স্থাপন কৰা আছে। মাজুলীৰ আসনভাগত বিষ্ণুৰ চিত্ৰ, নামসিংহৰ চিত্ৰ আৰু হিন্দু ধৰ্মীয় প্ৰতীক (কাছ,হাতী আৰু নামসিংহ)ৰ চিত্ৰ খোদিত আছে। লগতে বিভিন্ন ফুলৰ চিত্ৰৰে আসনভাগ আগুৰি আছে। সত্ৰখনত গৰুড়, জয়-বিজয় মূৰ্তি আছে। সত্ৰখনৰ যাদুঘৰত বিভিন্ন পৌৰাণিক ভাস্কৰ্যৰ নিদৰ্শন সংৰক্ষিত হৈ আছে। অৱশ্যে আউনীআটী সত্ৰ ৰজাৰ পৃষ্ঠপোষকতাত প্ৰতিষ্ঠা হোৱা বাবে সেই সম্পদসমূহ ৰজাই দান স্বৰূপে প্ৰদান কৰা। সত্ৰৰ পৃষ্ঠপোষকতাত বা সত্ৰতে তাৰ চৰ্চা কৰা নহয়।

গড়মূৰ সত্ৰও ৰাজ সত্ৰ হোৱা বাবেই ৰজাদিনীয়া পুৰণি ভাস্কৰ্য সত্ৰখনত সংৰক্ষিত হৈ আছে। সত্ৰখনৰ মূল প্ৰৱেশদ্বাৰত নাম সিংহ আৰু হস্তীৰ মূৰ্তি খোদিত আছে। সত্ৰৰখনৰ কীৰ্তনঘৰৰ পশ্চিম দিশত থকা দুৱাৰৰ কপালিত ভিতৰৰফালে  চিত্ৰ ভাগৱত অংকিত কৰা আছে। চিত্ৰখনত উল্লেখ কৰামতে চিত্ৰনৰ অংকন কাল--১৪৬১-১৫৪৯ শক। কীৰ্ত্তনঘৰৰ উত্তৰ আৰু দক্ষিণ দিশৰ বেৰৰ ওপৰৰ অংশত কৃষ্ণৰ শিশুলীলা, বস্ত্ৰ হৰণ, কালি দমন, বকাসুৰ বধ, পুতনা বধ, অঘাসুৰ বধ, আদিকে ধৰি ১৫ খন চিত্ৰ অংকিত আছে।  প্ৰতিখন চিত্ৰৰ আকাৰ প্ৰায় ১০ ফুট দীঘল আৰু ২.৫ ফুট বহল। কীৰ্ত্তনঘৰৰ পশ্চিম দিশত প্ৰায় ৫.৫ ফুট উচ্চতাৰ এটা কাঠৰ গৰুড় মূৰ্তি আৰু তাৰ বাওঁ কাষে  প্ৰায় ২ ফুট উচ্চতাৰ এটা কাঠৰ হনুমান মূৰ্তি আছে। মণিকুটৰ দুৱাৰৰ সন্মুখত প্ৰায় ৫.৫ ফুট উচ্চতাৰ কাঠৰ জয়-বিজয়ৰ মূৰ্তি আছে। তাৰ উপৰিও ১৪ টা প্ৰায় ২.৫ ফুট উচ্চতাৰ কাঠৰ মূৰ্তি আছে। মূৰ্তিবোৰত বিষ্ণুৰ অৱতাৰ, বিষ্ণুৰ ভকতৰ মূৰ্তি খোদিত আছে। সত্ৰৰ মূল এভাগ আসন আছে। সেই আসনভাগত হস্তী, সিংহৰ প্ৰতীক, আসনৰ চাৰিওকাষে ফুল খোদিত আছে।

চিত্ৰ-ভাস্কৰ্যৰ দিশৰ পৰা বৰপেটা সত্ৰক বাদ দি আউনীআটী সত্ৰ, গড়মূৰ সত্ৰত দৈনন্দিন চৰ্চাৰ ব্যৱস্থা নাই। পৌৰাণিক চিত্ৰ-ভাস্কৰ্যসমূহ সংৰক্ষিতহে হৈ আছে।

বৰপেটা সত্ৰত ভাস্কৰ্য কলাৰ চৰ্চা বৰ্তমান অব্যাহত আছে। ভাস্কৰ্য চৰ্চাৰ জৰিয়তে বজাৰকেন্দ্ৰীক এক পৰিৱেশ গঢ়ি তুলিছে। যাৰ জৰিয়তে আৰ্থ সামাজিক পৰিৱেশ বিৰাজ কৰিছে। তলত সেয়া উল্লেখ কৰা হ'ল।

**তালিকা—১১**

**ভাস্কৰ্য শিল্পৰ তালিকা**

| **শিল্প** | **নিৰ্মাতা বা উৎপাদন প্ৰতিষ্ঠান** | **বাৰ্ষিক আয় (গড়ে প্ৰতিজনৰ)** |
|---|---|---|
| **গুৰুআসন** | ৪ খন (সত্ৰৰ ওচৰত) | ৪,০০,০০০ টকা প্ৰায় |
| **কাঠৰ মুৰ্তি** | ৪ খন (সত্ৰৰ ওচৰত) | ৫০০০০ টকা প্ৰায় |
| কাঁহ পিতলৰ | ৮ খন (সত্ৰৰ ওচৰত) | ২০০০০০ টকা প্ৰায় |
| কমাৰ শিল্প | ৫ খন (সত্ৰৰ ওচৰত) | ১,৫০,০০০ টকা প্ৰায় |
| অসমীয়া গহনা | ৪ খন (সত্ৰৰ ওচৰত) | ৩,০০,০০০ টকা প্ৰায় |

সৌজন্য— হৰিনাথ সূত্ৰধাৰ, দ-হাটী বৰপেটা।

**(ঘ) বয়ন শিল্প**

কৃষিৰ পাছতে অসমত একেৰাহে কাৰ্য কৰা ক্ষেত্ৰতো হ'ল বয়ন শিল্পৰ চৰ্চা। এই শিল্পৰ সৈতে অসমৰ সকলো শ্ৰেণীৰ মানুহেই জড়িত হৈ থাকে। আধুনিক যন্ত্ৰৰ সহায় নোলোৱাকৈও পৰম্পৰাগত পদ্ধতিৰেই বয়ন শিল্পৰ চৰ্চা কৰি আহিছে। অসমৰ এই বয়ন শিল্পৰ চৰ্চা এসময়ত সত্ৰৰ ভকতসকলৰ মাজত আছিল। শংকৰদেৰৰ উদ্যোগত তাঁতিসকলৰ সহযোগত ছকুৰিহাত দীঘল, তিনিকুৰি হাত বহল বৃন্দাবনী বস্ত্ৰ বৈ উলিয়াইছিল। এই বয়ন কাৰ্যত মাধৱদেৱ, নাৰায়ণ দাস ঠাকুৰ,মথুৰা দাস বুঢ়া আতা আদি ভকতসকল জড়িত আছিল। বৰপেটা সত্ৰৰ কাষতে তাঁতীকুছী নামেৰে এখন ঠাই আছে। এই ঠাইখনত তাঁতীসকলে বাস কৰে। সেই তাঁতীকুছী আছিল বৃন্দাবনী বস্ত্ৰ বোৱা ঠাইখন। বৰ্তমানো বৰপেটা সত্ৰৰ হাটীবোৰত তাঁত বোৱা হয়। কিন্তু সত্ৰৰ ফালৰ পৰা

নিজা পদক্ষেপ নাই। আউনীআটীসত্ৰ আৰু গড়মূৰসত্ৰতো একেটা কথাই দেখা পোৱা যায়।

### ৪.১.৩ পশু পালন

পশু পালন অসমৰ গ্ৰাম্যজীৱনৰ সৈতে জড়িত এক জীৱিকা পদ্ধতি। পশু-পালনৰ জৰিয়তে স্ব-নিয়োজনৰ এক পথ মুকলি হ'ব পাৰে। সত্ৰীয়া পৰম্পৰাত পশুপালনৰ ভিতৰত কেৱল গৰু আৰু ম'হ পালন কৰে। বৰ্তমান কিছু কিছু সত্ৰই জলাহ ভূমিত মৎস্য পালনৰ ব্যৱস্থা কৰিছে। তলৰ তালিকাত উল্লেখ কৰা হ'ল।

**তালিকা—১২**

| **পশুপালন** | **আউনীআটী সত্ৰত ২০২০ ত** | **গড়মূৰ সত্ৰত ২০২০ ত** |
|---|---|---|
| **গৰু** | **প্ৰায়** ৬০০ | **প্ৰায়** ৩০০ |
| **ম'হ** | **প্ৰায়** ৮০ | **প্ৰায়** ৪০ |
| **মৎস্য পালন** | **প্ৰায়** ২,০০,০০০ টকা | |

সৌজন্য— আউনীআটীসত্ৰৰ ভকত শিশুৰাম মেধিৰ পৰা পোৱা তথ্য।

**(ক) গৰু আৰু ম'হ পালন**

আউনীআটী সত্ৰত গৰু পালন ভকতসকলৰ প্ৰধান জীৱিকা বুলিব পাৰি। আউনীআটী সত্ৰৰ চাৰি হাটীৰ প্ৰতিখন বহাই গৰু পালন কৰে। সত্ৰখনৰ জলাহ ভূমি আৰু চাপৰি মাটি থকা বাবে গৰুৰ বাবে উপযুক্ত ঘাঁহৰ ব্যৱস্থা আছে। সেয়েহে একো একোখন বহাত ১০/১৫ টা লৈকে গৰু আছে। বিশেষকৈ গাই গৰু ৩/৪ জনীকৈ পুহে যাতে গাখীৰ বিক্ৰী কৰি উপাৰ্জন কৰিব পাৰে। সত্ৰৰ ভকতসকলে নিজে হাল নাবায় বাবে বলধ বা দমৰা গৰু ডাঙৰ কৰি বিক্ৰী কৰে। সত্ৰখনত বৰ্তমান প্ৰায় ৬০০ গৰু পালন কৰি আছে। উত্তৰ গুৱাহাটীৰ আউনীআটী শাখা সত্ৰত প্ৰায় ৩০জনী উন্নত মানৰ গাই পালন কৰিছে। যাৰ পৰা মাহে প্ৰায় ৬০০ লিটাৰ গাখীৰ উৎপাদন হয়। আউনীআটী সত্ৰত ম'হ পালন কৰা হয়। ম'হ পালনৰ প্ৰধান উদ্দেশ্য গাখীৰ উৎপাদন কৰা। গড়মূৰ সত্ৰ গৃহস্থী

হোৱা হেতুকে সত্ৰৰ  ভকতসকলে গৰু পালন কৰে। বিশেষকৈ গাই গৰু আৰু খেতি কৰা সকলে বলধ গৰু পালন কৰে। বৰপেটা সত্ৰত গৰু পালন প্ৰায় নাই বুলিব পাৰি। যিহেতু সত্ৰৰ হাটীত থকা গৃহস্থী লোকৰ নিজা মাটি নাই সেয়েহে তেওঁলোকৰ গৰু পালন কৰাত বিশেষ অসুবিধা হয়।

**(খ) মৎস্য পালন**

সাম্প্ৰতিক সময়ত চাহিদা পূৰণৰ বাবে মানুহে মৎস্য পালন কৰা দেখা পোৱা যায়। বৰ্তমান মৎস্যৰ এখন ভাল বজাৰো আছে। সত্ৰসমূহত পৰম্পৰা অনুসৰি মৎস্য পালনৰ ব্যৱস্থা নাছিল। কিন্তু বৰ্তমান মৎস্য পালন কৰা দেখা যায়। আউনীআটী সত্ৰত সত্ৰৰ চৌহদত ৬ টা কৈ ডাঙৰ পুখুৰী আছে। একোটা পুখুৰী প্ৰায় ৩/৪ বিঘা মাটিৰ হ'ব। এই পুখুৰীবোৰত মৎস্য পালন কৰি বিক্ৰী কৰে। অৱশ্যে সত্ৰই এই পুখুৰী কেইটা নিৰ্দিষ্ট মানুহক ডাকত দিয়ে। সেই ব্যক্তিজনে এবছৰলৈ পুখুৰীত মাছ পালন কৰে। বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰত সেই ব্যৱস্থা নাই।

**৪.১.৪ সত্ৰকেন্দ্ৰিক খুচুৰা ব্যৱসায়**

দৈনন্দিন প্ৰয়োজনীয়তা পূৰাবলৈ ব্যৱসায় একোটা গঢ়ি উঠে। সত্ৰ অনুষ্ঠান সামাজিক অনুষ্ঠান হোৱাৰ পাছৰে পৰা সত্ৰসমূহত ভক্ত বা দৰ্শনাৰ্থীয়ে সত্ৰঅনুষ্ঠানলৈ ভিন্ন সময়ত পৰিদৰ্শন কৰিবলৈ আহে। সত্ৰৰ উৎসৱ , পালনাম, নাম সমাৰোহ আদি অনুষ্ঠানত ভিন্ন প্ৰান্তৰ মানুহৰ সমাগম হয়। সেয়ে সত্ৰসমূহৰ আশে পাশে এক ব্যৱসায়ীক বাতাবৰণ দেখা পোৱা যায়। অৱশ্যে ব্যৱসায়ীক বাতাবৰণ নিৰ্ভৰ কৰে মানুহৰ উপস্থিতিৰ ওপৰত। আউনীআটী, গড়মূৰ সত্ৰ আৰু বৰপেটাসত্ৰৰ ভিতৰত আউনীআটী আৰু বৰপেটা সত্ৰৰ সন্মুখতেই ব্যৱসায়ীক প্ৰতিষ্ঠান দেখা পোৱা যায়। সত্ৰদুখনে একোটা ব্যৱসায়ীক বাতাবৰণ সৃষ্টি কৰাত সফল বুলিব পাৰি।

আউনীআটী সত্ৰত স্থায়ী ব্যৱসায়ী প্ৰতিষ্ঠানৰ উপৰিও পালনাম, ভাওনা সমাৰোহ, নাম সমাৰোহ আদি অনুষ্ঠানত অস্থায়ী একোখন বজাৰ গঢ়ি উঠে। যিখন বজাৰত অস্থায়ী প্ৰায় তিনিশখন বিপনীৰ সমাগম হয়। সেই বিপনীবোৰ এনে ধৰণৰ— গ্ৰন্থৰ বিপনী, খাদ্যৰ, ভাস্কৰ্য-শিল্প, বয়ন শিল্প, প্ৰসাধন সামগ্ৰী, শিশু উপযোগী খেলা সামগ্ৰী আদি। উল্লেখযোগ্য যে মাজুলীৰ স্থানীয়

বিপনীৰ সংখ্যা বেছি। মাজুলীৰ আউনীআটী সত্ৰৰ পালনাম আৰু ভাওনাসমাৰোহ আদি অনুষ্ঠানে আৰ্থিকভাৱে স্থানীয় ব্যৱসায়ী সকলক লাভান্বিত কৰি আহিছে।

বৰপেটা সত্ৰৰ সন্মুখভাগত থকা ব্যৱসায়ীক প্ৰতিষ্ঠানসমূহৰ উপৰিও সত্ৰৰ প্ৰধান উৎসৱ দৌল যাত্ৰা আৰু গুৰু তিথিত বিভিন্ন প্ৰান্তৰ দৰ্শনাৰ্থীৰ সমাগম বেছি হয়। এই সময়তে ব্যৱসায় প্ৰতিষ্ঠানবোৰে বিশেষভাৱে গ্ৰাহকক আকৰ্ষণ কৰিবলৈ বিভিন্ন সামগ্ৰী প্ৰতিষ্ঠানত ৰাখে। অস্থায়ী বজাৰ বা বিপনীৰ বাবে ঠাই নাই বাবে গঢ়ি উঠা দেখা নাযায়।

বৰপেটা আৰু আউনীআটী সত্ৰৰ সন্মুখভাগত গঢ়ি উঠা ব্যৱসায় প্ৰতিষ্ঠানবোৰে স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী বিক্ৰী কৰে। ফলত উৎপাদনকাৰীসকলেও ইয়াৰ পৰা লাভান্বিত হয়।

**৪.২ সামাজিক ভূমিকা**

সত্ৰ আৰু সমাজৰ পাৰস্পৰিক সম্পৰ্ক আছে। সমাজক কেন্দ্ৰ কৰিয়ে সত্ৰসমূহ বৰ্তি থাকে। সত্ৰ প্ৰতিষ্ঠাৰ এক প্ৰধান উদ্দেশ্য হ'ল সমাজৰ কল্যাণৰ হকে কাম কৰা। প্ৰাচীন কালৰ পৰা মধ্যযুগলৈকে সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত উপাদান আছিল ধৰ্ম। শংকৰদেৱৰ জন্মৰ সময়ত অসমত বিভিন্ন ধৰ্মই অসমৰ সমাজ ব্যৱস্থাক নেতৃত্ব দিছিল। সেয়ে তেনে সমাজক সংস্কাৰ কৰিব পৰা দিশটো আছিল অন্য এক ধৰ্ম। যাৰ ফলত বৈষ্ণৱ ধৰ্মক মূল আহিলা হিচাপে লৈ অসমৰ সমাজ ব্যৱস্থাত প্ৰভাৱ বিস্তাৰ কৰিলে। পৰৱৰ্তী সময়ত বৈষ্ণৱ ধৰ্মৰ সৃষ্টিৰে সত্ৰসমূহ হৈ পৰিল সমাজ এখনৰ কেন্দ্ৰবিন্দু। সেয়ে সত্ৰসমূহে সমাজৰ উন্নতিৰ হকে প্ৰতিষ্ঠা কালৰ পৰাই ভিন্ন দিশত কাম কৰি আহিছে। অৱশ্যে সত্ৰভেদে এই সামাজিক ভূমিকা কম-বেছি হ'ব পাৰে। সত্ৰৰ সামাজিক ভূমিকা সম্পৰ্কে আমি তলত দিয়া ধৰণে আলোচনা কৰিব পাৰো।

**৪.২.১ শৃংখলিত সমাজ সৃষ্টি**

বৈষ্ণৱ ধৰ্ম প্ৰতিষ্ঠাৰ পূৰ্বতে অসমত নিৰ্দিষ্ট এক ধৰ্মীয় পৰিৱেশ নাছিল। পূজা-পাতল, বলি বিধান আদিয়ে গা কৰি উঠা অসমৰ সমাজ ব্যৱস্থাত এক বিশৃংখল পৰিৱেশে বিৰাজ কৰিছিল। সেয়ে এক শৃংখলিত সমাজ গঢ়াৰ উদ্দেশ্যে শংকৰদেৱ-মাধৱদেৱ তথা পৰৱৰ্তী বৈষ্ণৱ সন্তসকলৰ

সত্ৰ প্ৰতিষ্ঠা আছিল অন্য এক কাৰণ। সত্ৰভেদে নিজা নিজা পৰম্পৰা, ৰীতি-নীতিগত পাৰ্থক্য আছে। এই ৰীতি-নীতিবোৰ সত্ৰৰ লগতে সত্ৰৰ অন্তৰ্গত সমাজলৈ প্ৰেৰণ কৰিছিল। শৰণ-ভজন ৰীতিৰ জৰিয়তে সমাজৰ প্ৰতিজন ব্যক্তিক মানুহৰ আচাৰ-ৰীতি, মানৱীয়তা আদি দিশত জ্ঞান প্ৰদান কৰি সামাজিক দিশত কাম কৰাৰ প্ৰেৰণা দিছিল। সমাজ তথা গাঁওসমূহতো শৰণ-ভজন লোৱাৰ পাছতহে সামাজিক কাম কাজ কৰিবলৈ দিয়া ৰীতি আছিল। এই সমূহৰ জৰিয়তে শৃংখলিত জীৱন তথা সমাজ গঢ়াত সত্ৰসমূহে ভূমিকা লৈ আহিছে।

সত্ৰ প্ৰতিষ্ঠা হোৱাৰ আগত আনুষ্ঠানিক শিক্ষাৰ মাধ্যম আছিল সংস্কৃত টোলসমূহ। টোলসমূহত কিছু পৰিমাণে নৈতিক শিক্ষা প্ৰদানৰ সুবিধা লাভ কৰিছিল। সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছত সত্ৰসমূহ জ্ঞান অৰ্জনৰো কেন্দ্ৰ হৈ পৰিল। সেয়েহে নৈতিক শিক্ষালাভৰ বাবেও সত্ৰসমূহৰ লগত সমাজৰ এক আন্তঃ সম্পৰ্ক গঢ়ি উঠিছিল। ব্যক্তিগত জীৱনত নৈতিক শিক্ষা লাভৰ উদ্দেশ্যে গাঁওসমূহৰ পৰা সৰু অৱস্থাতে ল'ৰাবোৰ সত্ৰত থাকিবলৈ দি দিয়া হয়। যাতে ভৱিষ্যতে ল'ৰাটো স্বভাৱ চৰিত্ৰ, শিক্ষা আদিৰ ক্ষেত্ৰত ভাল হয়। অৱশ্যে আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ লগে লগে পূৰ্বৰ তুলনাত সত্ৰত ল'ৰা দিয়া ব্যৱস্থাটো প্ৰায় কমি আহিল।

আউনীআটী সত্ৰ, বৰপেটা সত্ৰ আৰু গড়মূৰ সত্ৰও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। ৰীতি-নীতি, পৰম্পৰাকলৈ পাৰ্থক্য আছে যদিও কাৰ্যতঃ উদ্দেশ্যৰ সাদৃশ্য আছে।

শৃংখলিত সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত সত্ৰৰ আন এক উল্লেখযোগ্য অৱদান মাদক দ্ৰব্য বিশেষকৈ মদ আদিৰ ব্যৱহাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত সত্ৰৰ পদক্ষেপ। ৰাগীয়াল দ্ৰব্য অখাদ্যৰ ভিতৰত জ্ঞান কৰা হয়। সেয়ে সত্ৰত বা সত্ৰৰ ভকতৰ মাজত এনে দ্ৰব্য সেৱন কৰাটো নিষেধ। মাজুলীত বিভিন্ন জাতি-জনজাতিৰ লোকে বসবাস কৰে যদিও আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ বা অন্যান্য সত্ৰসমূহৰ প্ৰভাৱতেই মাজুলীত চৰকাৰী স্বীকৃতিপ্ৰাপ্ত মদৰ দোকান বৰ্তমানলৈকে গঢ়ি নুঠাৰ এক প্ৰধান কাৰণ। জনজাতীয় লোকসকলৰ মাজত জাতিগত পানীয়ৰ ব্যৱস্থা আছে যদিও অন্যান্য স্থানত পোৱাৰ দৰে বিক্ৰীৰ ব্যৱস্থা দেখা পোৱা নাযায়।

বৰপেটা সত্ৰৰ আশে পাশে এই পৰিৱেশ দেখা পোৱা যায়। সত্ৰৰ ওচৰত বৰপেটা নগৰতো তেনে স্বীকৃতিপ্ৰাপ্ত দোকান নাই। বৰপেটা নগৰৰ পৰা ১০ কি.লো মিটাৰ আঁতৰতহে তেনে

দোকান আছে। সত্ৰসমূহৰ ফলতে এনে শৃংখলিত এক পৰিৱেশ স্থানীয় সমাজত দেখা পোৱা যায়।

### ৪.৩.২ সত্ৰ-নামঘৰ স্থাপন

সামাজিক অনুষ্ঠান একোটা ধৰ্মীয় স্বকীয়তাৰে বৰ্তি থাকে। ধৰ্ম অনুসৰি সমাজ এখনৰ কাম-কাজ পৰিৱৰ্তন হোৱা দেখা যায়। বিশ্বৰ বিভিন্ন প্ৰান্তত থকা ধৰ্মীয় অনুষ্ঠানৰ কেন্দ্ৰস্থলবোৰৰ একোটা স্বকীয় আৰ্হি থাকে। যিবোৰে নিৰ্দিষ্ট ধৰ্মীয় অনুষ্ঠানৰ প্ৰতীক স্বৰূপত পৰিচয় বহন কৰে। সেইদৰে অসমৰ বৈষ্ণৱ পৰম্পৰাত গঠিত সত্ৰানুষ্ঠানবোৰৰ নিৰ্মাণ আৰ্হিৰ সাদৃশ্য আছে। সত্ৰবোৰক অনুসৰণ কৰি গাঁও অঞ্চলত নামঘৰ প্ৰতিষ্ঠা হ'ল। কিছু সংখ্যক গাঁৱত সত্ৰই নেতৃত্ব দি নামঘৰ নিৰ্মাণ কৰি দিয়ে। এই নামঘৰৰ আৰ্হি সত্ৰৰ কীৰ্ত্তনঘৰৰ লগত সাদৃশ্য আছে। সেইফালৰ পৰা গাঁৱসমূহৰ নামঘৰ একোটাই সত্ৰ বা বৈষ্ণৱ পৰম্পৰাৰ পৰিচয় বহন কৰে। "প্ৰথম পৰ্যায়ত 'নামঘৰ' শব্দটোৰ ঠাইত 'ৰঙিয়াল' ঘৰ বা 'ৰংগায়ন' গৃহ বুলিহে জনা হৈছিল। গায়ন-বায়ন নটুৱা আছিল ইয়াৰ শিল্পবস্তু। সপ্তদশ শতিকা মানতহে নামঘৰ শব্দটো কুৰুৱাবাহী সত্ৰত ব্যৱহাৰ কৰা হয় আৰু পৰৱৰ্তী কালত এই নামটো জনপ্ৰিয় হৈ উঠে" (তামুলী ১৮১)। সত্ৰৰ পৰম্পৰা, ৰীতি-নীতিৰে সমাজ একোখনক একত্ৰিত কৰি ৰখাৰ প্ৰধান কেন্দ্ৰস্থল হৈ পৰিল নামঘৰসমূহ। যিদৰে জনজাতীয় সমাজত ডেকাচাং, মৰংঘৰ আদিয়ে সমাজৰ সামাজিক কাম-কাজ সমাধান কৰে, সেইদৰে নামঘৰসমূহৰ জৰিয়তে সমাজত একত্ৰিতভাৱে বৈষ্ণৱ পৰম্পৰা বৰ্তাই ৰখাত নামঘৰসমূহে ভূমিকা লয়।

সত্ৰসমূহৰ নিয়ন্ত্ৰণত সমাজক পৰিচালিত কৰা সামাজিক কেন্দ্ৰবিন্দু নামঘৰবোৰে অসমৰ সমাজ ব্যৱস্থাত ক্ৰমে প্ৰসাৰ লাভ কৰে। ইয়াৰ প্ৰধান কাৰণ নামঘৰৰ জাতি, বৰ্ণ নিৰ্বিশেষে গণতান্ত্ৰিক ব্যৱস্থা তথা সাম্যবাদী দৰ্শন। উচ্চ-নীচৰ মাজত, সাজ-পাৰ, খাদ্যাভ্যাস তথা আসন আদিৰ ক্ষেত্ৰত সমতা নামঘৰৰ এক সাংস্কৃতিক স্বৰূপ। অৱশ্যে সত্ৰভেদে গাঁও সমূহৰ মাজত ৰীতি-নীতিৰ পাৰ্থক্য আছে। তথাপিও অসমৰ নামঘৰ অনুষ্ঠানে বৈষ্ণৱ পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে। এনে নামঘৰবোৰক পৰিচালনা কৰি থকাৰ মূলতে হ'ল সত্ৰসমূহ।

## ৪.৪ সাহিত্যিক অৱদান

সাহিত্যৰ জৰিয়তে প্ৰতিফলিত হয় সমসাময়িক সমাজ তথা কৃষ্টি-সংস্কৃতি। অসমত সত্ৰ প্ৰতিষ্ঠাতা শংকৰদেৱে সাহিত্য চৰ্চাৰ জৰিয়তে সমাজক জ্ঞান প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত ধৰ্মীয় গুৰুসকলেও তেওঁৰ পদ অনুসৰণ কৰিছিল। অৱশ্যে উল্লেখনীয় কথাটো হ'ল, গুৰুসকলৰ সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ পৰিছিল সত্ৰানুষ্ঠানসমূহ। সত্ৰসমূহৰ মজিয়াতেই ৰচনা হৈছিল- গীত, পদ, নাট্য, তত্ত্ব কথা আদি গ্ৰন্থসমূহ। আউনীআটী সত্ৰই এই ক্ষেত্ৰত প্ৰতিষ্ঠা কালৰ পৰাই সাহিত্য চৰ্চা কৰি আহিছে। সংস্কৃত গীত, স্তোত্ৰ, নীতিগ্ৰন্থ, নাট্য আদিৰ ৰচনাৰে অসমীয়া সাহিত্যৰ ক্ষেত্ৰত সত্ৰখনে বৰ্তমানলৈকে বিশেষ অৱদান আগবঢ়াই আহিছে।

### ৪.৪.১ আউনীআটী সত্ৰৰ সাহিত্য চৰ্চা

আউনীআটী সত্ৰৰ একাদশ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে কলিকতাৰ পৰা ছপাযন্ত্ৰ অনাই সত্ৰৰ পৰাই 'আসাম বিলাসিনী' প্ৰকাশ কৰি অসমীয়া আলোচনী সাহিত্যত বিশেষ অৱদান আগবঢ়ায়। আউনীআটী সত্ৰৰ বুৰঞ্জীত 'নীতিলতাঙ্কু' নামৰ ৰাজনীতি শাস্ত্ৰখন আৰু ছন্দো গ্ৰন্থ 'বৃত্তমঞ্জৰী' গ্ৰন্থখন দত্তদেৱৰ গোস্বামীৰ প্ৰেৰণাত সত্ৰত সংস্কৃত অধ্যাপক ধীৰেশ্বৰাচাৰ্যই আউনীআটী সত্ৰতে লিখা বুলি উল্লেখ কৰে (শৰ্মা ২৮৪)।

**(ক) নাটক—**

আউনীআটী সত্ৰত নাট্য সাহিত্য চৰ্চাৰ এক পৰম্পৰা আছে। 'সত্ৰৰ সত্ৰাধিকাৰ, ডেকাসত্ৰাধিকাৰসকলে কাৰ্যভাৰ লোৱা উৎসৱত নিজে ৰচনা কৰা নাটক অভিনয় কৰোৱা পৰম্পৰা অন্যতম আছিল। পুথি নকল কৰোৱা,সংৰক্ষণ কৰোৱাৰ বাবে সত্ৰত তেনে পদবীৰ কৰ্মচাৰী ধন ভঁড়ালৰ তত্ত্বাৱধানত আছিল' (শৰ্মা ২৬৮)। অংকীয়া শৈলীৰে মাতৃভাষাৰ নাটক ৰচনাৰ ক্ষেত্ৰত প্ৰথম ভূমিকা লৈছিল আউনীআটী সত্ৰত। বিভিন্ন সময়ত মাতৃভাষা নাটৰ প্ৰদৰ্শন আদিৰ ফলত সত্ৰত ভালে সংখ্যক নাটক ৰচনা হৈছিল। বৰ্তমানৰ সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ভাওনা সমাৰোহ আয়োজন কৰি নাটক ৰচনাত উৎসাহ যোগাই আহিছে। প্ৰতি বৰ্ষতে নতুন নাট্যকাৰৰ নাটকৰহে ভাওনা প্ৰদৰ্শনৰ অনুমতি দিয়ে। এই নিয়মৰ বাবেই পৌৰাণিক নাটকৰ পৰম্পৰা বৰ্তমানো সত্ৰখনৰ যোগেদি অব্যাহত ৰাখিছে। সত্ৰৰ চৌহদত লিখিত নাটকবোৰ হ'ল—

নিৰঞ্জনদেৱ— মহামোহ নাট।

দত্ত দেৱ গোস্বামী— গদাপৰ্ব, ভীষ্মপৰ্ব, ভৰতাগমণ, ইন্দ্ৰজিৎ বধ, শক্তিশেল, ৰাসযাত্ৰা, মেঘনাদ বধ, উদ্যোগ পৰ্ব, দ্ৰৌপদীৰ বস্ত্ৰ হৰণ, পাণ্ডৱ নিৰ্বাসন, ধ্ৰুৱ চৰিত্ৰ, জয়দ্ৰথ বধ, বিৰাত পৰ্ব, গুৰু দক্ষিণা। চৰিত পুথি— গোপালদেৱ চৰিত।

হেমচন্দ্ৰ দেৱ গোস্বামীৰ— দণ্ডী পৰ্ব, দ্ৰৌপদীৰ সয়ম্বৰ, অৰ্জুনৰ লক্ষ্যভেদ, পাৰ্থ পৰাজয়, কুবলাশ্ব, ৰাসলীলা, জন্মাষ্টমী, কলংক ভঞ্জন, কুমৰ হৰণ, সীতা হৰণ, শ্ৰীকৃষ্ণৰ নৌকাবিলাস, শ্ৰীকৃষ্ণৰ জন্মলীলা, অৰ্জুনী সংহাৰ, দৈত্যেন্দ্ৰ তাৰকাসুৰ বধ, দক্ষ যজ্ঞ, ত্ৰিশঙ্কু স্বৰ্গাৰোহন, দণ্ডীপৰ্ব বা অষ্টবজ্ৰ মিলন, উৰ্বশী উদ্ধাৰ বা পাণ্ডৱ গৌৰৱ, সুভদ্ৰা হৰণ।

বিষ্ণুচন্দ্ৰ দেৱ গোস্বামীৰ— অভিমানৰ পৰিণতি বা জটানল গীতাভিনয়, দূত কৃষ্ণ, বলিছলন, মহিষ মুক্তি, দৈতেন্দ্ৰ জালন্ধৰ, কুলাচল বধ, সংকল্প, পালন, লক্ষ্মণ বৰ্জ্জন, তাৰক নিধন, ৰাজসূয় যজ্ঞ, দৈতেন্দ্ৰ ত্ৰিপুৰা, বিৰোচণৰ বিষ্ণু প্ৰিয়া, দ্বিজবীৰ দ্ৰোৰ্ণাচাৰ্য, ভাতৃভেদৰ পৰিণতি, সুন্দ-উপসুন্দ, সংহাৰ, সমুদ্ৰ মন্থন, তৰণী তৰণ, অষ্টবজ্ৰ মিলন, ভক্তবীৰ প্ৰিয়ভক্ত, মগধ বিজয়, মৰুৎ যজ্ঞ, অস্তাচলে সিন্ধুৰাজ, ব্ৰজেন্দ্ৰ নন্দন, দৈত্যেন্দ্ৰ দুৰ্গম।

পীতাম্বৰদেৱ গোস্বামীৰ— মহামোহ উপাখ্যান, অজামিলৰ গতিলাভ, দিতীৰ দৰ্পচূৰ্ণ, অতনুৰ জীৱন মুক্তি, বিশ্বামিত্ৰৰ ব্ৰহ্ম শক্তি লাভ, ৰুক্মাঙ্গদৰ ধৰ্ম পৰীক্ষা, উতংকমুনিৰ গুৰু দক্ষিণা, বালী পতন, মহাভাগৱত ৰজা পৰীক্ষিতৰ মুক্তিলাভ , ধুন্ধুকাৰী গোকৰ্ণ উপাখ্যান।

দেৱানন্দ দেৱগোস্বামী— গুৰু দক্ষিণা, স্যমন্তক হৰণ।

শ্ৰীধৰ বৰুৱা ওজাৰ— ৰাজসূয় যজ্ঞ, কৰ্ণবধ।

দ্বাৰিকানাথ বৰ নামলগোৱা— তৰণী তৰণ।

পূৰ্নানন্দ ভূঞা কমণ্ডলু ধোৱা— কিৰাত পৰ্ব আৰু নিবাত কবচ বধ, শংকৰ বিজয়ী বা দৈত্যেন্দ্ৰ ত্ৰিপুৰ।

সোণাৰাম বৰা— প্ৰৱীৰ পতন।

গোপাল শৰ্মা— ভক্তবীৰ শ্বেতাৰ্জুন, তাম্ৰধ্বজৰ কৃষ্ণদৰ্শন।

সাগৰ চন্দ্ৰ মজিন্দাৰ— সিন্ধু ৰাজন, অঘোৰ দৈত্য বধ।

ভদ্রেশ্বৰ দেৱ শৰ্মা বৰ পূজাৰী— অনন্ত মহিমা।

ঘনকান্ত শইকীয়া ওজা— উবৰ্শীৰ শাপমোচন।

**(খ) ভক্তি তত্ত্বৰ গ্ৰন্থ—**

সত্ৰত ভক্তি সম্পৰ্কীয় বিভিন্ন চৰ্চা হয়। ভক্তিতত্ত্ব সম্পৰ্কীয় গ্ৰন্থ প্ৰণয়নৰ পৰম্পৰা শংকৰদেৱে ভক্তি প্ৰদীপ, নিমি- নৱ-সিদ্ধ সংবাদ আদি গ্ৰন্থৰ জৰিয়তে পাতনি মেলিছিল। আউনীআটী সত্ৰটো বৰ্তমানলৈকে এনে গ্ৰন্থ লিখা পৰম্পৰা দেখা যায়। সেয়া হ'ল—

দত্তদেৱ গোস্বামীৰ— শ্ৰীকৃষ্ণৰ লীলামৃত, গোবিন্দ গুনমালা।

দেবেশ্বৰ শৰ্মাৰ— তীৰ্থ পথত।

বিষ্ণুচন্দ্ৰ দেৱগোস্বামীৰ — ধৰ্মজ্যোতি।

পীতাম্বৰদেৱ গোস্বামীৰ— ভাগৱত দৰ্পন, গীতা অভিজ্ঞান,চিন্তা বৈভৱ।

দেৱানন্দ দেৱগোস্বামী— নামঘোষাৰ তত্ত্বসাৰ।

খগেন্দ্ৰ নাথ লেখাৰু— গুৰু বানী।

কেশৰ কাকতি-অনন্ত কলিতা— ধৰ্মতত্ত্ব।

**চৰিত পুথি বা জীৱনীমূলক সাহিত্য—**

মধ্যযুগৰ পৰাই অসমৰ চৰিত সাহিত্য লিখাৰ এক পৰম্পৰা আৰম্ভ হয়। সত্ৰীয়া ধৰ্মীয় গুৰুসকলক কেন্দ্ৰ কৰিও পৰৱৰ্তী সময়ত সত্ৰসমূহত চৰিত পুথি লিখাৰ পৰম্পৰা আৰম্ভ হ'ল। আউনীআটী সত্ৰতো এনে সাহিত্য চৰ্চা দেখা পোৱা যায়।

দত্তদেৱ গোস্বামীৰ— গোপালদেৱ চৰিত।

শ্ৰীধৰ বৰুৱা ওজা— শ্ৰীশ্ৰীদত্তদেৱ চৰিত,

মাধৱ বৰা বায়ন— গুৰু চৰিত মালা।

হৰিপ্ৰসাদ নামলগোৱা— শ্ৰীশ্ৰী কমলচন্দ্ৰ দেৱগোস্বামী চৰিত্ৰ (সম্পা.)।

(গ) **বুৰঞ্জী সাহিত্য বা সত্ৰৰ পৰিচয় সম্পৰ্কীয় সাহিত্য—**

আহোমসকল অসমলৈ অহা সময়ৰ পৰাই বুৰঞ্জী লিখাৰ পৰম্পৰা দেখা পোৱা যায়। সত্ৰ-সম্পৰ্কীয় পৰিচয় তথা সত্ৰীয়া ৰীতি-নীতি সম্পৰ্কীয় গ্ৰন্থৰ চৰ্চা দেখা পোৱা যায়।

তীৰ্থনাথ শৰ্মা— আউনীআটী সত্ৰৰ বুৰঞ্জী।

চন্দ্ৰকুমাৰ বৰুৱা— অসমৰ বৈষ্ণৱ ধৰ্ম, আউনীআটী সত্ৰৰ চমু বুৰঞ্জী।

কমল দত্ত— আউনীআটী সত্ৰৰ চহৰৰ ইতিবৃত্ত, আউনীআটী সত্ৰৰ নাট সমীক্ষা।

শিৰীষ কুমাৰ ভট্টাচাৰ্য— অসমৰ সত্ৰ পৰিচয়।

সত্যদেৱ প্ৰসাদ— আউনীআটী সত্ৰ সংক্ষিপ্ত ইতিহাস (হিন্দী গ্ৰন্থ)।

কেশৰ কাকতি— ইতিহাস পৰিক্ৰমাত আউনীআটী সত্ৰ।

(ঘ) **গীতি-নাটিকা** —

নাটিকা হ'ল—গীত আৰু নৃত্য প্ৰধান একশ্ৰেণীৰ সাহিত্য। য'ত সংলাপৰ সমাহাৰ দেখা যায়। নাটিকাবোৰ নাটকতকৈ চুটি। নাটিকাৰ জৰিয়তে সমাজৰ কোনো এক সমস্যা, বাৰ্তা, ঘটনা, চমু জীৱনী দাঙি ধৰা হয়। আউনীআটী সত্ৰত নাটিকা ৰচনা কৰাৰ ক্ষেত্ৰত পীতাম্বৰ দেৱ গোস্বামীৰ নাম উল্লেখযোগ্য। তেওঁ নাটিকাসমূহক 'নাট্য-গীতি তৰঙ্গিনী' নামে নামকৰণ কৰিছে। তেওঁ ৰচনা কৰা নাটিকা কেইখন হ'ল— তস্মৈ শ্ৰীগুৰুৱে নমঃ, নৰমৃগ, নাম মন্দাকিনী, একাদশী, পৱিত্ৰ শঙ্খ তুলসী, প্ৰতিভা ভাস্কৰ শ্ৰীমন্ত শংকৰদেৱ, ভক্তিমূৰ্তি দেৱ দামোদৰ, আউনীআটীৰ অন্তৰ্প্ৰৱাহ, লোক -জীৱনত বৰগীতৰ অমিয়াতান, কৃষ্টিৰ কাৰেঙত জ্যোতি, কৃষ্টিৰ বৰঘৰ মাজুলী।

**(ঙ) অন্যান্য গ্ৰন্থ—**

**পীতাম্বৰ দেৱ গোস্বামীৰ— সত্ৰীয়া উৎসৱৰ পৰিচয় আৰু তাৎপৰ্য, চীনৰ লিজিয়াঙত,** বিহঙ্গম দৃষ্টিৰে আউনীআটী সত্ৰ, দক্ষিণ ভাৰতৰ তীৰ্থভ্ৰমণ, এক পবিত্ৰ আৱগাহন, শ্ৰী ক্ষেত্ৰ যাত্ৰা, আমেৰিকাৰ আমৰঙা ৰং, আলোড়িত হৃদয়ৰ শব্দ, বৰেণ্য প্ৰতিভা আৰু ব্যক্তিৰ ব্যক্তিত্ব, অসমৰ নাম অনুষ্ঠান, প্ৰতিভা ভাস্কৰ শ্ৰীমন্ত শংকৰদেৱ,The Beizing Talent Srimanta Sankardeva, A Brief History of Auniati Satra ।

খগেন্দ্ৰ নাথ লেখাৰু — গুৰুবাণী, সত্ৰ আৰু সমাজ।

কমল দত্ত— আউনীআটী সত্ৰৰ নাম সমীক্ষা, ভাওনা ঐতিহ্য আৰু বিস্তৃতি (অসম ভাওনা সমাৰোহ ২০১৪ স্মাৰক গ্ৰন্থ), সত্ৰীয়া প্ৰসঙ্গ প্ৰণালী, আউনীআটী সত্ৰ সন্দৰ্শন, পীতাম্বৰ দেৱ গোস্বামী(অভিনন্দন গ্ৰন্থ), ভাওনা নাট সমগ্ৰ (সম্পা.)

**(চ) আলোচনী বা স্মাৰক গ্ৰন্থ—**

আলোচনী সাহিত্যৰ ক্ষেত্ৰত আউনীআটী সত্ৰৰ অসমৰ ভিতৰত উল্লেখযোগ্য বৰঙণি আছে। দত্তদেৱ গোস্বামীয়ে ধৰ্মপ্ৰকাশ যন্ত্ৰৰ প্ৰতিষ্ঠাৰে 'অসম বিলাসিনী' কাকত প্ৰকাশ কৰে সত্ৰৰ পৰা। সেই পৰম্পৰাকে অনুসৰণ কৰি বিষ্ণুচন্দ্ৰ দেৱ গোস্মীয়ে 'সংস্কৃত পল্লৱ' নামৰ আলোচনী প্ৰকাশ কৰে। অৱশ্যে কিছু দিনৰ পাছত এই আলোচনীৰ প্ৰকাশ বন্ধ হয়। বৰ্তমানৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে পুনৰ প্ৰকাশ কৰে 'সংস্কৃতি পল্লৱ ' নামেৰে।

বিশেষ অনুষ্ঠান, সত্ৰৰ উৎসৱ-পাৰ্বন আদি অনুষ্ঠানত স্মৃতি গ্ৰন্থ, স্মাৰক গ্ৰন্থ আদি প্ৰকাশ সত্ৰৰ এক উল্লেখযোগ্য অৱদান। গ্ৰন্থসমূহত সামাজিক, সাংস্কৃতিক, ধৰ্মীয় সকলো দিশৰ বিষয়ে আলোচনা হয়। তেনে কিছু গ্ৰন্থ হ'ল—

জয়ন্ত পাঠক— কস্তুৰী (অসম নাম সমাৰোহ ২০১০ প্ৰদৰ্শনী সমিতিৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ)।

মনোজ কুমাৰ দত্ত — অসম নাম সমাৰোহ ২০১০ (স্মৃতি গ্ৰন্থ) , সম্প্ৰীতিৰ ৰূপকাৰ (অভিনন্দন গ্ৰন্থ)।

দীনেশ বৈশ্য— বৰ্ণিল সংস্কৃতি( বৰ্ণিল সাংস্কৃতিক সমাৰোহ ২০১২ স্মৃতি গ্ৰন্থ)।

অমৰজ্যোতি বৰা— হিৰন্ময় হেমচন্দ্ৰদেৱ (শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱৰ ১১০ বৰ্ষীয় জন্মজয়ন্তী স্মাৰক গ্ৰন্থ), মুক্তিমঙ্গল (অসম ভাওনা সমাৰোহ ২০১০ স্মাৰক গ্ৰন্থ)।

দেৱজিৎ শইকীয়া— ৰস তৰঙ্গিনী(অসম ভাওনা সমাৰোহ ২০১২ স্মৃতি গ্ৰন্থ)।

কমল দত্ত— ভাওনা ঐতিহ্য আৰু বিস্তৃতি (অসম ভাওনা সমাৰোহ ২০১৪ স্মাৰক গ্ৰন্থ)।

ৰঞ্জিৎ কুমাৰ ভূএগ— ভক্তিৰঙ্গ, (অসম ভাওনাসমাৰোহ ২০১৬ স্মাৰক গ্ৰন্থ)।

ডিম্বেশ্বৰ দত্ত— ভক্তিৰঙ্গ, (অসম ভাওনাসমাৰোহ ২০১৮ স্মাৰক গ্ৰন্থ)।

অমৰজ্যোতি বৰা আৰু তুলসী ৰাজখোৱা—ভক্তিৰঙ্গ,(অসম ভাওনা সমাৰোহ ২০২০ স্মাৰক গ্ৰন্থ)।

সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আউনীআটী সত্ৰৰ ভূমিকা মন কৰিব লগীয়া। পূৰ্বৰ গুৰু সকলৰ পুথি সংৰক্ষণ, ছপা আকাৰত প্ৰকাশ আদি ক্ষেত্ৰত সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ভূমিকা গ্ৰহণ কৰিছে। বৰ্তমান সত্ৰৰ নিজাববীয়া এক প্ৰকাশন পৰিষদ গঠন কৰি গ্ৰন্থ প্ৰকাশ, গৱেষণা গ্ৰন্থ আদি প্ৰকাশ কৰাত মনোনিৱেশ কৰা দেখা পোৱা যায়।

### ৪.৪.২ গড়মূৰ সত্ৰৰ সাহিত্য চৰ্চা

অসমৰ সকলো সত্ৰতেই কম বেছি পৰিমাণে সাহিত্য চৰ্চা হৈছিল। গড়মূৰ সত্ৰও এই ক্ষেত্ৰত নিশ্চয় ব্যতিক্ৰম নাছিল। পীতাম্বৰদেৱ গোস্বামীৰ সাহিত্যকৃতিসমূহ হ'ল— ধৰ্ম শিক্ষা , সমাজ ৰক্ষা, শৰণ-ভজন, অসমীয়া লখিমী ভঁৰাল, প্ৰহ্লাদ চৰিত্ৰ, ৰাম বনবাস, যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ, সুন্দ-উপসুন্দ, লৱ-কুশ, শ্ৰীকৃষ্ণৰ ৰাসলীলা, অসমত বিনা ৰক্তপাতে আক্ৰমণ, হৰিদাসৰ জীৱনী, বলি চলন, সপ্ত সুৰৰ উৎপত্তি, শ্ৰীমদ্ভাগৱত (একাংশ), ঘোষা যাত্ৰা। তেখেতে সনাতন ধৰ্মৰ মুখপাত্ৰ হিচাপে তিনিমহীয়া আলোচনী প্ৰকাশ কৰে।

তৰুণ বৰাৰ— বৰ হনুমানৰ কাহিনী, সীতাৰ কাহিনী, ভীষ্ম বীৰৰ কাহিনী, মন জেতুকাৰ ৰং।

লখিন্দাৰ শইকীয়াৰ— সিংহ গড় বিজয় নাট।

কৃষ্ণ দত্তৰ— যুগৰ বিচাৰ; গুণমণি নাথৰ— তযু গুণ নাম।

এই সত্ৰৰ পৰাই ভক্তি প্ৰদীপ আৰু শ্ৰীকৃষ্ণৰ লীলা মালা গ্ৰন্থ প্ৰকাশ কৰা হয়। ইয়াৰ বাহিৰে সত্ৰখনত সাহিত্য চৰ্চাৰ বিষয়ে তথ্য পোৱা নাযায়। সংৰক্ষণৰ অভাৱত নিশ্চয় সেয়া হেৰাই গৈছে। বৰ্তমান সত্ৰাধিকাৰ হৰিচন্দ্ৰ দেৱ গোস্বামীৰ মতে সত্ৰত প্ৰকাশন গোষ্ঠী নাই। উৎসৱ বা পাৰ্বনত স্মৃতি গ্ৰন্থ আদি প্ৰকাশৰ ব্যৱস্থা নাই।

### ৪.৪.৩ বৰপেটা সত্ৰৰ সাহিত্য চৰ্চা

বৰপেটা সত্ৰত সাহিত্য চৰ্চা কিছু পৰিমাণে দেখা পোৱা যায়।

শ্ৰী নাৰায়ন আতৈ বুঢ়া ভকতে ৰচনা কৰে— প্ৰসঙ্গ প্ৰণালী, শ্ৰীমন্ত শংকৰ-মাধৱদেৱ গুৰু দুজনাৰ উপদেশ, সদাচাৰ, গুন নিধি ধাম।

অক্ষয় কুমাৰ মিশ্ৰৰ— বৰপেটা সত্ৰৰ ঐতিহ্য, বৰপেটা দৌল।

মহানন্দ পাঠক আৰু জয়ৰাজ দাসৰ সম্পাদনাত— সত্ৰ সংস্কৃতিৰ সেৱক নৰজিৎ দাস পাঠক।

শ্ৰীশ্ৰী মথুৰাদাস বুঢ়া আতাৰ আৰ্বিভাৱ মহোৎসৱ আৰু পালনামৰ সোণালীজয়ন্তী উৎসৱৰ স্মৃতিগ্ৰন্থ।

বৰ পেটা সত্ৰত পূৰ্বৰে পৰা সাহিত্য চৰ্চাৰ ধাৰা এটা আছিল তাৰ প্ৰমাণ পোৱা যায় সত্ৰত সংৰক্ষিত হৈ থকা সাহিত্যসমূহৰ জৰিয়তে। তলত বৰপেটা সত্ৰত সংৰক্ষিত হোৱা গ্ৰন্থৰ তালিকা উল্লেখ কৰা হ'ল।

## তালিকা-১৩

### বৰপেটা সত্ৰত সংৰক্ষিত গ্ৰন্থ

| গ্ৰন্থৰ নাম | ৰচক | ব্যৱহৃত সামগ্ৰী | ভাষা | লিপি | ফলক পৃষ্ঠা | পৃষ্ঠাৰ আয়তন |
|---|---|---|---|---|---|---|
| নামঘোষা | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ৪৭ | ৯×৯.৫ চে.মি |
| নামঘোষা | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ১৮ | ৩৪×১০ চে.মি |
| নামঘোষা | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ৯ | ২৯×১০ চে.মি |
| নামঘোষা | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ১০০ | ২৬×৭ চে.মি |
| নামঘোষা | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ৫১ | ৩০×৯ চে.মি |
| ৰাজসূই | মাধৱদেৱ | সাচিপাত | পু.অ | লহকৰী | ৪২ | ৩৭×১১ চে.মি |
| ভ. ৰত্নাৱলী | মাধৱদেৱ | সাঁচিপাত | পু.অ | কাইথেলী | ৯ | ৩৫×১০ চে.মি |
| ভ. ৰত্নাৱলী | মাধৱদেৱ | সাঁচিপাত | পু.অ | কাইথেলী | ৬৮ | ৩৮×১৩ চে.মি |
| মহাভাৰত | | | | | | |
| অশ্বমেধ পৰ্ব | গঙ্গা দাস | কাগজ পাত | পু.অ | কাইথেলী | ১৭০ | ৫২×১৪ চে.মি |
| অমূল্য ৰতন | মাধৱদেৱ | সাঁচিপাত | পু.অ | কাইথেলী | ২৬ | ২৯×৭ চে.মি |
| ৰামায়ণ | | | | | | |
| লংকা কাণ্ড | মাধৱকন্দলী | সাঁচিপাত | পু.অ | কাইথেলী | ৯৭ | ৩৬×১২ চে.মি |
| ৰামায়ণ | | | | | | |
| অযোধ্যা কাণ্ড | মাধৱকন্দলী | তুলাপাত | অসমীয়া | গড়গঞা | ৫২ | ৫৩×১৮ চে.মি |
| ৰামায়ণ | | | | | | |
| সুন্দৰা কাণ্ড | মাধৱকন্দলী | সাঁচিপাত | পু.অ | কাইথেলী | ৫০ | ৩০×১০ চে.মি |
| ভাগৱত-গীতা | গোবিন্দমিশ্ৰ | সাঁচিপাত | পু.অ | কাইথেলী | ২৭ | ৩১×১০ চে.মি |
| গীতা | গোবিন্দমিশ্ৰ | কাগজপাত | পু.অ | কাইথেলী | ৯৮ | ৩৪×১০ চে.মি |
| গীতা | শ্ৰীধৰ স্বামী | সাঁচিপাত | সংস্কৃত | কাইথেলী | ৭৩ | ৪০×১৩ চে.মি |
| জন্ম ৰহস্য | মাধৱদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ১৬ | ৪৫×১৬ চে.মি |

| | | | | | |
|---|---|---|---|---|---|
| হৰিশ্চন্দ্ৰ উপাখ্যান | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৪৭ | ৯×৯.৫ চে.মি |
| অজামিল উপাখ্যান | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৩২ | ৩১×১০ চে.মি |
| ৰুক্মিণী হৰণ | শংকৰদেৱ | কাগজপাত | পু.অ. কাইথেলী | ৫০ | ৩৬×১১ চে.মি |
| কুৰুক্ষেত্ৰ | শংকৰদেৱ | কাগজপাত | পু.অ. কাইথেলী | ৪১ | ৩৪×১১ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ১১১ | ৪০×১১ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৯২ | ৪১×১৪ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | কাগজপাত | পু.অ. কাইথেলী | ১৪৮ | ২৮×১১ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৯ | ৪১×১৩ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৭০ | ৪১×১৪ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ১২৬ | ৩৯×১৩ চে.মি |
| কীৰ্তন ঘোষা | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ১০০ | ৪০×১৪ চে.মি |
| ভক্তি প্ৰদীপ | শংকৰদেৱ | কাগজপাত | পু.অ. কাইথেলী | ২৩ | ৩২×১০ চে.মি |
| ভাগৱত | | | | | |
| প্ৰথম স্কন্ধ | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ২৬ | ২৩×৮ চে.মি |
| ভাগৱত | | | | | |
| দ্বিতীয় স্কন্ধ | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ১৮ | ৩৬×১১ চে.মি |
| ভাগৱত | | | | | |
| অষ্টম স্কন্ধ | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ৪৬ | ৩০×১০ চে.মি |
| ভাগৱত | | | | | |
| দশম স্কন্ধ | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ২১ | ৫০×১৬ চে.মি |
| ভাগৱত | | | | | |
| দশম স্কন্ধ | শংকৰদেৱ | সাঁচিপাত | পু.অ. কাইথেলী | ১১২ | ৪৪×১৪ চে.মি |
| ভাগৱত | | | | | |

| | | | | | | |
|---|---|---|---|---|---|---|
| দশম স্কন্ধ ভাগৱত | শংকৰদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ১০৫ | ৫৪×১৫ চে.মি |
| অষ্টম স্কন্ধ ভাগৱত | শংকৰদেৱ | কাগজপাত | পু.অ. | কাইথেলী | ৪৬ | ৩৪×১০ চে.মি |
| একাদশ স্কন্ধ ভাগৱত | শংকৰদেৱ | সাঁচিপাত | পু.অ. | কাইথেলী | ৭১ | ২৯×৯ চে.মি |
| দশম স্কন্ধ ভাগৱত | আচাৰ্য | সাঁচিপাত | পু.অ. | কাইথেলী | ৬৫ | ৫০×১০ চে.মি |
| বৰগীত | শংকৰ-মাধৱ | কাগজপাত | ব্ৰজাৱলী | কাইথেলী | ৪৬ | ৩০×১০ চে.মি |
| বৰগীত | শংকৰ-মাধৱ | সাঁচিপাত | ব্ৰজাৱলী | কাইথেলী | ৫৩ | ২৯×৯ চে.মি |
| আদি দশম | শংকৰদেৱ | সাঁচিপাত | পু.অ | কাইথেলী | ৮২ | ৪০×১৩ চে.মি |
| ভক্তিৰত্নাকৰ | শংকৰদেৱ | সাঁচিপাত | সংস্কৃত | কাইথেলী | ৪০ | ২৬×৪৮ চে.মি |
| ভক্তিৰত্নাকৰ | শংকৰদেৱ | সাঁচিপাত | সংস্কৃত | কাইথেলী | ৬ | ২৭×১০ চে.মি |

সৌজন্য— নাৰায়ণ আতৈ বুঢ়াভকতৰ গুণনিধি ধাম গ্ৰন্থ।

### ৪.৫ শৈক্ষিক ভূমিকা

সাম্প্ৰতিক সময়ত প্ৰয়োজনীয় এটা দিশ হ'ল শিক্ষা। শিক্ষাৰ জৰিয়তে মানুহে জ্ঞান অৰ্জ্জন কৰিব পাৰে। শিক্ষাৰ ব্যৱস্থাটো বেদ উপনিষদৰ যুগৰ পৰাই আছে। অৱশ্যে সেইসময়ত শিক্ষাৰ বাবে গুৰু গৃহ বা টোললৈ যাব লগা হৈছিল। শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰসমূহো এক প্ৰকাৰে শিক্ষা অনুষ্ঠান বুলি ক'ব পাৰি। সত্ৰ একোখনত আধ্যাত্মিক, শাৰীৰিক, নৈতিক, কলাৰ শিক্ষা প্ৰদান কৰা দেখা যায়। সত্ৰসমূহতেই গ্ৰন্থ লিখা আৰু সংৰক্ষণৰ কাম-কাজ চলিছিল। সত্ৰাধিকাৰ আৰু ভকতসকলৰ নেতৃত্বত সত্ৰলৈ যোৱা ল'ৰাবোৰক সংস্কৃত আৰু অসমীয়া ভাষাৰ শিক্ষা প্ৰদান কৰে। সৰু অৱস্থাতে কলা সম্পৰ্কীয় গীত-নৃত্য, বাদ্যৰ শিক্ষা প্ৰদান কৰা হয়। পাছত নিজৰ ৰুচি অনুযায়ী নিজ ল'ৰাজনে নিৰ্দিষ্ট একোটা দিশত শিক্ষা ল'ব পাৰে। সেয়ে সত্ৰসমূহত পৰৱৰ্তী সময়ত পঢ়িব জনাজনক পাঠক, সংস্কৃত শাস্ত্ৰত শিক্ষিত জনক শাস্ত্ৰী, বাদ্যত পাৰ্গতজনক বায়ন,

গীতত পাৰ্গত জনক গায়ন, ধৰ্মত পাৰ্গতজনক ৰাজমেধি বা বুঢ়াভকত আদি উপাধি প্ৰদান কৰা হয়। আনুষ্ঠানিক শিক্ষা প্ৰৱৰ্তন নোহোৱালৈকে এই প্ৰক্ৰিয়াৰেই সত্ৰত শিক্ষা দিয়াৰ ব্যৱস্থা চলিছিল। সেয়েহে বিভিন্ন স্থানৰ পৰা সত্ৰত শিক্ষিত হ'বলৈও ল'ৰাসকলক পঠাইছিল। বৰ্তমানো যে সত্ৰৰ পৰা এই শিক্ষাৰ ধাৰা নাইকিয়া হ'ল তেনে নহয়। বৰ্তমান আধুনিক শিক্ষাৰ লগতে সত্ৰৰ পৰম্পৰাগত শিক্ষা ব্যৱস্থা কিছু কিছু সত্ৰত চলি আছে।

সত্ৰৰ শিক্ষা ব্যৱস্থাটো আছিল বিজ্ঞানসন্মত এক শিক্ষা পদ্ধতি । য'ত একে লগতে পুথিগত শিক্ষাৰ লগতে নৈতিক-আধ্যাত্মিক, পৰিৱেশ্য কলাৰ শিক্ষাও প্ৰদান কৰা হৈছিল। বৰ্তমান আধুনিক শিক্ষাত পৰিৱেশ্য কলা আদি শিক্ষাই গুৰুত্ব লাভ কৰা দেখা যায়।

## ৪.৫.১ সংস্কৃত শিক্ষা আৰু আনুষ্ঠানিক শিক্ষা

সত্ৰ প্ৰতিষ্ঠা হোৱাৰ পৰাই সত্ৰসমূহ সংস্কৃত শিক্ষাৰ প্ৰাণকেন্দ্ৰ হৈ উঠে। যিহেতু প্ৰতিখন সত্ৰত নৈতিক প্ৰসঙ্গৰ পৰা বিভিন্ন কাৰ্য—বেদ, উপনিষদ, গীতা-ভাগৱত আদি চৰ্চা কৰা দেখা যায়। এই গ্ৰন্থবোৰৰ মূল আধাৰ সংস্কৃত গ্ৰন্থ। তাৰ উপৰি সংস্কৃতৰ পুৰাণ-উপপুৰাণ আদি অধ্যয়ন কৰিয়েই অসমীয়াত বিভিন্ন ধৰ্মমতসমূহ, ভক্তিৰ মাধ্যমসমূহ নিৰ্ধাৰণ কৰিছে। সেয়েহে সত্ৰসমূহত সংস্কৃত শিক্ষা ব্যৱস্থাতো গুৰুত্ব আৰোপ কৰা দেখা যায়। বৰ্তমানো কিছু সত্ৰত এই শিক্ষা দিয়া হয়।

আউনীআটী সত্ৰখনত সংস্কৃত শিক্ষাৰ প্ৰতি গুৰুত্ব দেখা যায়। যিহেতু সত্ৰখনত নৈতিক কৰ্মৰ বিভিন্ন গ্ৰন্থ, শ্লোক আদি সংস্কৃতত ব্যৱহৃত সেয়েহে সংস্কৃত শিক্ষাৰ প্ৰয়োজন আছিল। তাৰ ব্যৱস্থাও আউনীআটী সত্ৰত কৰিছিলি প্ৰথম সত্ৰাধিকাৰ নিৰঞ্জনদেৱৰ দিনৰ পৰাই। অৱশ্যে নিৰঞ্জনদেৱৰ দিনত সংস্কৃত শিক্ষা আনুষ্ঠানিক নাছিল। কোনো পণ্ডিতৰ তত্বাৱধানত শিক্ষা দিয়া হৈছিল। আনুষ্ঠানিক ভাৱে আউনীআটী সত্ৰত সংস্কৃত শিক্ষা আৰম্ভ হয় সত্ৰাধিকাৰ কমলচন্দ্ৰ দেৱ গোস্বামীৰ দিনৰ পৰা 'চতুষ্পাঠী' সংস্কৃত টোল স্থাপন কৰা হয়। এই চতুষ্পাঠীখনত হেমচন্দ্ৰ গোস্বামীয়ে 'কমলদেৱ চতুষ্পাঠী' নামেৰে নামকৰণ কৰি ছাত্ৰ-ছাত্ৰীৰ উপযোগী কৰি তোলে। ইয়াৰ পাছতেই উত্তৰ গুৱাহাটীত থকা আউনীআটী সত্ৰত বিষ্ণুচন্দ্ৰ দেৱ গোস্বামীয়ে 'লীলাকান্ত

চতুষ্পাঠী' সংস্কৃত টোল প্ৰতিষ্ঠা কৰে। বৰ্তমান এই চতুষ্পাঠীকেইখন অসম সংস্কৃত বোৰ্ডৰ দ্বাৰা অনুমূদিত। বৰ্তমান এই সংস্কৃত টোলত চাৰি বেদ, ৰত্নমালা ব্যাকৰণৰ লগতে প্ৰৱেশিকা, মধ্যমা, শাস্ত্ৰী এই তিনিটা শ্ৰেণীত অন্তৰ্ভূক্ত কৰি সংস্কৃত শিক্ষা দিয়া হয়।

আউনীআটী সত্ৰত আনুষ্ঠানিক শিক্ষাৰ আৰম্ভ কৰে সত্ৰৰ চৌহদত স্থাপন কৰা জুগুনীধাৰী প্ৰাথমিক বিদ্যালয় স্থাপনৰ জৰিয়তে। ১৯১৯ চনত এই বিদ্যালয়ৰ লগত মজলীয়া খাপ সংযোগ হয়। ১৯৮১ চনৰ ২৭ ডিচেম্বৰত সত্ৰাধিকাৰ বিষ্ণুচন্দ্ৰদেৱ গোস্বামীৰ নেতৃত্বত উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয়। সত্ৰৰ পুঁজিৰেই এই বিদ্যালয় কেইখন নিৰ্মাণ কৰা হৈছিল। চৰকাৰীকৰণ নোহোৱা পৰ্যন্ত বিদ্যালয়ৰ চোৱা চিতাৰ ক্ষেত্ৰত দায়িত্ব লৈছিল আউনীআটী সত্ৰই। সত্ৰৰ ভকত বৈষ্ণৱ তথা সত্ৰাধিকাৰসকলে আধুনিক শিক্ষাৰ প্ৰসাৰত মনোনিৱেশ কৰিছিল। তাৰ প্ৰমাণ পোৱা যায় মাজুলীৰ পিছপৰা অঞ্চলত আৰ্থিক দান বৰঙণিৰে বিদ্যালয় প্ৰতিষ্ঠা কৰা কাৰ্যই। আউনীআটী সত্ৰৰ ফালৰ পৰা প্ৰতিষ্ঠা কৰা কিছুমান শিক্ষানুষ্ঠান হ'ল— আউনীআটী এম.ভি.স্কুল, আউনীআটী হাইস্কুল, মাজুলী আউনীআটী হেমচন্দ্ৰ হাইস্কুল (কমলাবাৰী), আউনীআটী হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয় (আমগুৰি, শিৱসাগৰ), বিষ্ণুদেৱ জনজাতি মহাবিদ্যালয় ( যোৰহাট), হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় (নিতাই পুখুৰী), উত্তৰ গুৱাহাটীৰ আউনীআটী কমলদেৱ ইনষ্টিটিউচন উল্লেখযোগ্য।

শিক্ষাৰ প্ৰসাৰৰ বাবে শিক্ষানুষ্ঠান প্ৰতিষ্ঠা, ভূমিদান, আৰ্থিক সাহাৰ্য প্ৰদান আদিৰ লগতে উৎসাহ আদি প্ৰদানত গুৰুত্ব দিছিল। হৰিদেৱ গোস্বামীয়ে দুখীয়া আৰু মেধাৱী লোকক চাউল, কাপোৰ-কানি আদি দি উৎসাহ প্ৰদান কৰিছিল। 'আউনীআটী দত্তদেৱ ট্ৰাষ্ট ফাণ্ড'ৰ জৰিয়তে কমলদেৱ গোস্বামীয়ে প্ৰতিবছৰে দুটা সোণৰ পদক উপহাৰ দিছিল। প্ৰৱেশিকা পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পোৱা অসমীয়া ছাত্ৰ আৰু সত্ৰই অনুষ্ঠিত কৰা ৰচনা প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা জনক এই সোণৰ পদক দুটা উপহাৰ দিছিল। বৰ্তমান সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীয়ে সংস্কৃত শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সংস্কৃত বিষয়ত সৰ্বোচ্চ নম্বৰসহ উত্তীণ হোৱা ছাত্ৰজনক 'শ্ৰীশ্ৰী গোবিন্দ স্বৰ্ণপদক' বঁটা প্ৰদান কৰি আহিছে। তদুপৰি মেট্ৰিক পৰীক্ষাত সুখ্যাত্ৰিৰে উত্তীৰ্ণ দুখীয়া ছাত্ৰ-ছাত্ৰীলৈ গুৱাহাটীৰ চেতিয়া পৰিয়ালৰ যোগেদি প্ৰতিবছৰে ত্ৰিশ হাজাৰ টকাৰ অনুদান আগবঢ়াই আহিছে।

আনুষ্ঠানিক শিক্ষাৰ লগতে পৰিৱেশ্যমূলক কলাৰ শিক্ষা প্ৰদানত আউনীআটী সত্ৰই গুৰুত্ব দি আহিছে। সত্ৰত অনানুষ্ঠানিকভাৱে প্ৰতি হাটীৰ নিৰ্দিষ্ট স্থানত, বায়নৰ বহাত, গায়নৰ বহাত গীত-নৃত্য-বাদ্যৰ শিক্ষা দিয়া হয়। সেয়া হ'ল সত্ৰৰ পৰম্পৰা। বৰ্তমানো দৈনিক তেনেদৰে এই কলাসমূহৰ প্ৰশিক্ষণ দিয়া হয় যদিও আনুষ্ঠানিক বিদ্যালয়ৰ জৰিয়তে গীত-নৃত্য বাদ্যৰ প্ৰশিক্ষণ দিয়া হয়। আউনীআটী সত্ৰৰ সংগীত মহাবিদ্যালয়ৰ যোগেদি সংগীতত উচ্চ শিক্ষা লাভৰ ব্যৱস্থা কৰা হৈছে। সংগীতজ্ঞ দিলীপ শৰ্মাৰ হতুৱাই সত্ৰীয়া সংগীতৰ স্বৰলিপি তৈয়াৰ কৰি উলিয়াই সত্ৰীয়া সংগীতৰ প্ৰচাৰৰ লগতে শিক্ষা প্ৰদানত সহায় কৰিছে। সত্ৰৰ ভকতসকলে মাজুলীৰ বিভিন্ন স্থানত সত্ৰীয়া বিদ্যালয়ৰ জৰিয়তে গীত-নৃত্য-বাদ্যৰ প্ৰশিক্ষণ দি আহিছে।

শিক্ষা প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে পুথিভঁৰাল স্থাপনৰ জৰিয়তে। হৰিদেৱে প্ৰথমে সত্ৰৰ পুথিভঁৰাল প্ৰতিষ্ঠা কৰে। “বিষ্ণু চন্দ্ৰ দেৱগোস্বামীৰ প্ৰচেষ্টাত মাজুলীৰ লগতেই ডিব্ৰুগড় মোহনঘাটত এটা পুথিভঁৰাল প্ৰতিষ্ঠা কৰা হৈছিল। ব্যক্তিগত পুঁজিৰ পৰা দিয়া অৰ্থ সাহায্যৰে নগাঁও ব্ৰহ্মচাৰী সত্ৰত ‘দেৱকান্তি দেৱী পুথিভঁৰাল’, নগাঁও কুৰুৱাবাহী সত্ৰত ‘ডিম্বচন্দ্ৰদেৱ পুথিভঁৰাল’, কুজু পথাৰত ‘বিষ্ণুচন্দ্ৰ দেৱ পুথিভঁৰাল’, আমগুৰি শাখা সত্ৰত ‘শ্ৰীশ্ৰীবিষ্ণুজ্যোতি গ্ৰন্থাগাৰ’ স্থাপিত হৈছে”(নাথ ৫৪-৫৫)। আউনীআটী সত্ৰৰ পুথিভঁৰালটো বৰ্তমান সত্ৰাধিকাৰ পীতাম্বৰদেৱ গোস্বামীয়ে ‘শ্ৰীশ্ৰী গোবিন্দ পুথিভঁৰাল’ নামেৰে নামকৰণ কৰিছে। পুথিভঁৰালটোত সাঁচিপাতৰ পুথি, তুলাপাত, আদি ন-পুৰণি গ্ৰন্থ সংৰক্ষণ হৈ আছে। বিজ্ঞানসন্মত পদ্ধতিৰে সাঁচিপাতৰ সংৰক্ষণ, কিতাপৰ নাম সমূহ শৃংখলাবদ্ধ ভাৱে সজোৱা আছে। শৈক্ষিক উত্তৰণত আউনীআটী সত্ৰই গ্ৰহণ কৰা উল্লেখযোগ্য ভূমিকা হ'ল বঁটা প্ৰদান। সেয়া হ'ল—

তালিকা—১৪

**আউনীআটী সত্ৰৰ শৈক্ষিক বঁটাৰ তালিকা**

| বৰ্ষ | গোবিন্দ স্বৰ্ণপদক | দত্তদেৱ গোস্বামী সাংবাদিক বঁটা | দামোদৰদেৱ বঁটা | শংকৰদেৱ গৱেষণা বঁটা |
|---|---|---|---|---|
| ২০১৬ | দেবিদ চহৰীয়া, লুনা চন্দ্ৰা ডেকা, মনিমা শৰ্মা, কৰিশ্মা ডেকা, ৰিমঝিম চহৰীয়া, অৰ্পনা চহৰীয়া, বাৰ্বি চহৰীয়া, নিকিতা কোঁচ, মাদল আগস্তি। | প্ৰদীপজ্যোতি ফুকন লখিমপুৰ | ড০ নগেন শইকীয়া ডিব্ৰুগড় | ড° নিৰুপমা শিৱসাগৰ |
| ২০১৭ | সুৰজ চাপকটা | | পুৰন্দৰ বৰুৱা | |
| ২০১৮ | অনামিকা বৰুৱা | | ড০ নৰেন কলিতা | |
| ২০১৯ | | | ড০ নৃপেন ভাগৱতী | ড০ পৱিত্ৰ-প্ৰাণ গোস্বামী |
| ২০২০ | | | ড০ মনোজ কুমাৰ গোস্বামী | ড০ উপেন ৰাভা হাকাচাম |

**৪.৬ আধ্যাত্মিকতা**

অসমত প্ৰতিষ্ঠিত সত্ৰসমূহৰ পালিত অন্যান্য কাৰ্যৰ লগতে আধ্যাত্মিকতা দিশটো

উল্লেখযোগ্য। সত্ৰসমূহত শিক্ষা, সংস্কৃতি, ধৰ্মীয় ভাৱাদৰ্শৰ লগতে নৈতিক আৰু আধ্যাত্মিক দিশটো জড়িত হৈ থাকে। মানুহক শৃংখলিত কৰিবলৈ যেনেদৰে নৈতিক শিক্ষাৰ প্ৰয়োজন তেনেদৰে মানুহক জ্ঞানৰ বিচাৰ তথা বৌদ্ধিকতাৰ সন্ধান দিয়ে আধ্যাত্মিকতাই। 'প্ৰকৃত সত্যৰ প্ৰতি আনুগত্য প্ৰকাশেই আধ্যাত্মিকতা'( পী.গোস্বমী , 'বৈভৱ' ১১৭)।

সত্ৰ আৰু সমাজৰ মাজত জনসম্পৰ্ক আছে। সমাজক জ্ঞান প্ৰদান কৰি উত্তৰণ ঘটোৱাই সত্ৰৰ প্ৰকৃত উদ্দেশ্য। সেয়ে সমাজত আধ্যাত্মিকতাৰ ভাৱ জাগ্ৰত কৰাত সত্ৰসমূহে ভূমিকা লোৱা দেখা যায়। 'আধ্যাত্মিকতা ভাৱ ধাৰণ কৰিবৰ বাবে শাস্ত্ৰজ্ঞ হোৱাৰ প্ৰয়োজন নাই। তপ-জপ-যাগ-যজ্ঞ বা দানৰ প্ৰয়োজন নাই। কেৱল যুক্তিবাদী চিন্তাৰে, নৈতিকতা আৰু সততাৰে কৰ্ম সমাপন কৰাই প্ৰকৃত উদ্দেশ্য' (হাজৰিকা ১৫৯)।

আধ্যাত্মিকতাই মানুহৰ মনস্তত্ত্বক প্ৰভাৱিত কৰে। মানুহক সংযমী, দয়ালু, অহিংসুক ৰূপত গঢ় দিয়ে। মানুহক পৰিশীলিত কৰি নিৰ্দিষ্ট লক্ষ্যত উপনীত কৰাৰ ক্ষেত্ৰত আধ্যাত্মিক শিক্ষাই ভূমিকা গ্ৰহণ কৰিব পাৰে। সত্ৰসমূহত নিত্য- নৈমিত্তিক তেনে আধ্যাত্মিক শিক্ষা চৰ্চা কৰা দেখা পোৱা যায়। আধ্যাত্মিকতাই বিশেষভাৱে গুৰুত্ব দিয়ে মানুহৰ মনৰ ওপৰত সেয়ে মন শান্ত কৰিব পৰা নীতি বচন, অভ্যাস আদিৰ অনুশীলন সত্ৰসমূহত পৰম্পৰাগত ভাৱে কৰি আহিছে।

সত্ৰসমূহত দৈনন্দিন আধ্যাত্মিক শিক্ষাৰ অনুশীলন হৈছিল। দৈনন্দিন পালিত প্ৰাৰ্থনা, গুৰুসেৱা আদি কাৰ্যসমূহ আধ্যাত্মিক শিক্ষাৰ অন্তৰ্গত। সত্ৰসমূহত ইয়াৰ উপৰিও কথন-শৈলী, সাজ-পাৰ, ভাওনা আদি কাৰ্যৰ জৰিয়তে আধ্যাত্মিক শিক্ষা দিয়াৰ পৰম্পৰা দেখা যায়।

আধ্যাত্মিক শিক্ষাৰ গুৰুত্ব হ'ল—এনে শিক্ষাই মানুহক জ্ঞান প্ৰদান, নৈতিক শিক্ষা, জীৱ-জগতসম্পৰ্কে জ্ঞান প্ৰদান, প্ৰকৃতি আৰু সকলো জীৱৰ প্ৰতি সহনশীল, সদাচাৰী আৰু সংস্কাৰী কৰি তোলে। যাৰ জৰিয়তে এখন সমাজ সুস্থ-শৃংখলাবদ্ধ ভাৱে চলিব পাৰে।

সত্ৰসমূহত আধ্যাত্মিক শিক্ষাৰ প্ৰথম স্তৰ হ'ল শৰণ। সকলো সত্ৰতে শৰণ নীতিগত ভাৱে দিয়াৰ ব্যৱস্থা আছে। "শৰণ শব্দৰ অৰ্থ সংস্কাৰ "( পী.গোস্বামী ৩৫)। সাধাৰণ অৰ্থত গুৰুৰ সান্নিধ্যত আশ্ৰয় গ্ৰহণ কৰি নৈতিক শিক্ষা লোৱা এক ব্যৱস্থা। যি ব্যৱস্থাৰ জৰিয়তে জীৱন পৰিশীলিত কৰিব পাৰে। সত্ৰসমূহত শৰণ বিধিৰ জৰিয়তে ঈশ্বৰত আস্থা ৰাখি সংকল্প লোৱাই সৎ কৰ্মৰ বাবে

প্ৰতিজ্ঞাবদ্ধ হয়। অসমৰ সমাজ ব্যৱস্থাত শৰণৰ গুৰুত্ব আছে। সেয়ে বৰ্তমানো এনে ব্যৱস্থা সকলো সমাজতে দেখা যায়। শৰণ কাৰ্যৰ জৰিয়তে সত্ৰসমূহে আধ্যাত্মিক শিক্ষা প্ৰদান কৰে। নীতি-কথা, কৰণীয়-অকৰণীয়, জীৱ-জীৱাত্মৰ জ্ঞান, খাদ্য-অখাদ্য আদি উপদেশ প্ৰদান কৰে সত্ৰাধিকাৰ বা বুঢ়াভকত, ৰাজমেধিয়ে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেঠা সত্ৰতো শৰণ প্ৰদানৰ ব্যৱস্থা আছে।

দৈনন্দিন প্ৰাৰ্থনা, গুৰুসেৱা আদি কাৰ্য সত্ৰসমূহত দেখা পোৱা যায়। এই প্ৰাৰ্থনা কাৰ্যসমূহো আধ্যাত্মিক কাৰ্যৰ লগতে জড়িত। উপাসনা বা প্ৰাৰ্থনাই মানসিক দৃঢ়তাৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে। নীতিগতভাৱে কৰা উপাসনা বা ধ্যানে মন শান্ত কৰাৰ লগতে উদ্বিগ্নতা দূৰ কৰে। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত দৈনন্দিন বিভিন্ন কাৰ্যৰ জৰিয়তে উপাসনাৰ ব্যৱস্থা আছে। দ্বিতীয় অধ্যায়ত সত্ৰকেইখনৰ দৈনন্দিন ৰীতি, পৰম্পৰা সম্পৰ্কে আলোচনা কৰি অহা হৈছে। দৈনিক চৈধ্য প্ৰসঙ্গৰ দিশটো আধ্যাত্মিকতাৰ লগতে জড়িত। আউনী আটী সত্ৰখন উদাস সত্ৰ হোৱা হেতুকে সত্ৰখনত সৰু অৱস্থাতেই অনা ভকতসকলক প্ৰথম পৰ্যায়ত একোটা প্ৰাৰ্থনা বা গুৰু স্মৰণ শিকাই মন স্থিৰ কৰাৰ যত্ন কৰে। তাৰ পাছতে সত্ৰৰ অন্যান্য কাৰ্যত ক্ৰমে ক্ৰমে জড়িত কৰায়।

সত্ৰসমূহত ধৰ্মীয় পুথি অধ্যয়ন আধ্যাত্মিক শিক্ষাৰ আন এক মাধ্যম। পুথিসমূহত কাহিনীৰ জৰিয়তে ধৰ্ম-অধৰ্ম, ন্যায়-অন্যায়, সৎ চৰিত্ৰ, জ্ঞান আদি সন্নিৱিষ্ট হৈ থাকে। এনে পুথি অধ্যয়নৰ ফলত ব্যক্তিগত জীৱনত প্ৰভাৱ পৰিব পাৰে। সেয়ে এনে পুথি অধ্যয়নৰ ব্যৱস্থা সত্ৰত দেখা পোৱা যায়। আনহাতে সত্ৰসমূহত চৈধ্য প্ৰসঙ্গত ভাগৱত, কীৰ্তন, গুৰু চৰিত পাঠৰ জৰিয়তেও এনে জ্ঞান প্ৰদানৰ ব্যৱস্থা দেখা যায়। আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটাসত্ৰত এই ব্যৱস্থা আছে।

আধ্যাত্মিক পৰিৱেশ সৃষ্টিত সত্ৰীয়া পৰম্পৰাত ব্যৱহৃত সাজ-পাৰ আৰু কথন-শৈলীয়ে প্ৰভাৱ পেলায়। উল্লিখিত অধ্যায়ত আলোচনা কৰা দৰে সত্ৰৰ পৰিৱেশত বাক্য-বচনৰ এক নিৰ্দিষ্ট শৈলী আছে। যিয়ে মানুহৰ আচৰণ আৰু ব্যৱহাৰক প্ৰভাৱিত কৰা দেখা যায়। এজন সুস্থ আৰু সদাচাৰী নীতি-বচন কোৱা ব্যক্তি ৰূপত গঢ়িবলৈ চেষ্টা কৰে। সত্ৰসমূহত আধ্যাত্মিক শিক্ষাৰ প্ৰতি বিভিন্ন কাৰ্য কৰা দেখা পোৱা যায়।

আউনীআটী সত্ৰই সৰু অৱস্থাতে অনাথ বা দুখীয়া শ্ৰেণী, কোনো ঘৰে ইচ্ছানুসৰি দিয়া সন্তানৰ সৰুৰে পৰাই আধ্যাত্মিক দিশটোৰ প্ৰতি গুৰুত্ব দিয়ে। এনে শিক্ষাৰ জৰিয়তে ব্যক্তিৰ জীৱনত ভাল প্ৰভাৱ পৰে। ইয়াৰ উপৰি সত্ৰখনে বিভিন্ন সময়ত গাঁও বা বিভিন্ন অঞ্চলত আধ্যাত্মিক আলোচনা সভা, বক্তৃতা আদিৰ অনুষ্ঠানৰ জৰিয়তে আধ্যাত্মিক দৰ্শন সমাজত প্ৰসাৰিত কৰিবলৈ চেষ্টা কৰা দেখা যায়।

ভাওনাৰ জৰিয়তে সহজতে মানুহক আধ্যাত্মিক শিক্ষা দিয়াৰ প্ৰচেষ্টাক বৰ্তমানো আউনীআটী সত্ৰই প্ৰসাৰিত কৰাৰ চেষ্টা কৰি আহিছে। ২০০৬ চনৰ পৰা ভাওনা সমাৰোহ আয়োজন কৰি এক আধ্যাত্মিক পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰি আছে। আধ্যাত্মিক ক্ষেত্ৰখনত বা সত্ৰসম্পৰ্কীয় গৱেষণামূলক কৰ্মৰ বাবে সত্ৰখনে বঁটা প্ৰদান কৰা দেখা যায়। আউনীআটী সত্ৰৰ এয়াও এক উল্লেখযোগ্য পদক্ষেপ।

**৪.৭ সাংস্কৃতিক পৰ্যটন**

ভ্ৰমণ কাৰ্যৰ লগত মানুহ প্ৰাক্ ঐতিহাসিক যুগৰ পৰাই জড়িত হৈ আহিছে। অতি প্ৰাচীন কালৰ পৰা মানুহে অন্ন, বস্ত্ৰ, বাসস্থানৰ সন্ধানত কৰা কাৰ্যত ভ্ৰমণ জড়িত হৈ আছিল। মানুহে পশুপালন কৰাৰ লগে-লগে জীৱজন্তুৰ খাদ্যৰ সন্ধানত, কৃষিকৰ্মৰ আৰম্ভণিৰ ফলত বিভিন্ন ঠাইত স্থায়ীভাৱে বসবাস কৰিবলৈ,আত্মীয়-স্বজনৰ লগত সামাজিক সম্পৰ্ক ৰক্ষা কৰিবলৈ, বেহা-বেপাৰ, জ্ঞানৰ অন্বেষণ, যুদ্ধ-বিগ্ৰহ, ধৰ্মীয় কাৰণত এঠাইৰপৰা আন ঠাইলৈ ভ্ৰমণ কৰিছিল। ক্ৰমান্বয়ে পৰ্যটনে ৰূপ সলনি কৰে। শংকৰদেৱে দুবাৰকৈ তীৰ্থ ভ্ৰমণ কৰিছিল। তাৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন কালতো ভ্ৰমণৰ লগত জ্ঞান অৰ্জন, অভিজ্ঞতা অৰ্জন আদি দিশবোৰ জড়িত হৈ আছিল। ঊনবিংশ শতিকাৰ পৰা ভ্ৰমণৰ ক্ষেত্ৰত পৰিৱৰ্তন অহা দেখা যায়। অসমীয়া ভাষাত ব্যৱহৃত পৰ্যটন শব্দটো সংস্কৃতমূলীয় ইংৰাজী Tourism শব্দৰ প্ৰতিশব্দ। সাধাৰণ অৰ্থত এই শব্দই এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ভ্ৰমণ কৰা বুজায়।

সাধাৰণ অৰ্থত পৰ্যটন হ'ল এক ভ্ৰমণ কাৰ্য। ভিন্ন উদ্দেশ্যে নিজ স্থানৰ পৰা অন্য স্থানলৈ কৰা ভ্ৰমণ। য'ত জড়িত হৈ থাকে জ্ঞান অৰ্জন, মনোৰঞ্জন অথবা অৰ্থনৈতিক বিনিময়।

পৰ্যটনৰ লগত জড়িত এটা প্ৰধান ভাগ হ'ল সাংস্কৃতিক পৰ্যটন। সাংস্কৃতিক পৰ্যটনত সাধাৰণতে মানৱ সভ্যতা বিকাশৰ স্থান, ঐতিহাসিক কীৰ্তিচিহ্ন আদি দিশক বুজায়। ইয়াৰ লগত জড়িত হৈ থাকে স্থানীয় মানুহৰ শিল্পকলা, কাৰু-কাৰ্য আদি সাংস্কৃতিক দিশসমূহ। মধ্য যুগতে অসমত গঢ়ি উঠা সত্ৰসমূহ পৰ্যটনস্থলী হিচাপে স্বীকৃত। অসমৰ সমাজ পৰিৱৰ্তন ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰা সত্ৰসমূহত নৈতিক পৰম্পৰা, আচাৰ ব্যৱহাৰ, সাজ পাৰ, নৃত্য-গীতৰ এক পৰম্পৰা আছে। যিয়ে বৰ্তমান সত্ৰীয়া সংস্কৃতিৰূপে পৰিচিত হৈছে। মধ্য যুগতে সৃষ্টি হোৱা অসমৰ এই ধৰ্মীয় পৰম্পৰা তথা সাংস্কৃতিক কেন্দ্ৰ এই সত্ৰসমূহত পৰ্যটন উদ্যোগ গঢ়ি উঠিছে। সত্ৰসমূহে নিজা প্ৰচেষ্টাত বা চৰকাৰী পদক্ষেপত পৰ্যটন ক্ষেত্ৰ হিচাপে সমাজত পৰিচয় দিবলৈ সক্ষম হৈছে। পৰ্যটনে পৰ্যটনস্থলীত অৰ্থনৈতিক পৰিৱৰ্তন ঘটায়। পৰ্যটনস্থলীত এক ব্যৱসায়িক পৰিৱেশৰ সৃষ্টি কৰে। যাৰ জৰিয়তে স্থানীয় লোক লাভান্বিত হ'ব পাৰে।

আউনীআটী আৰু গড়মূৰ সত্ৰ মাজুলীত অৱস্থিত। ভৌগোলিক দিশৰ পৰা পৃথিৱীৰ সৰ্ববৃহৎ নদী দ্বীপ হিচাপে মাজুলীৰ পৰিচয় আছে। দেশ বিদেশৰ পৰ্যটকে মাজুলী পৰিদৰ্শন কৰিবলৈ আহে। ভৌগোলিক দিশৰ লগতে মাজুলীৰ সত্ৰসমূহৰ বাবেও অসমৰ পৰ্যটন স্থলীসমূহৰ ভিতৰত মাজুলী উল্লেখযোগ্য। মাজুলীত থকা সত্ৰসমূহৰ ভিতৰত আউনীআটী আৰু গড়মূৰ সত্ৰ উল্লেখযোগ্য। পৰ্যটন স্থলী হিচাপে সত্ৰদুখনত অনেক পৰ্যটকৰ সমাগম হয়।

আউনীআটী সত্ৰই পৰ্যটনৰ দিশত বিশেষ গুৰুত্ব দিয়া দেখা যায়। সত্ৰখন পৰ্যটনৰ বিশেষ আকৰ্ষণৰ কাৰণ—কেৱলীয়া বা উদাস সত্ৰ হিচাপে। আনহাতে সত্ৰখনত চাৰি হাটী, নামঘৰ, সত্ৰৰ আৰ্হিৰ পৰিৱেশ আছে। লগতে আধুনিক সংগ্ৰাহালয় আছে য'ত সংৰক্ষিত হৈ আছে—হাতীদাঁতৰ পাটী, হাতীদাঁত খটোৱা চকী, হাতী দাঁত খটোৱা টেবুল, হাতীদাঁত, হাতীদাঁতৰ খৰম, ৰূপ বনকৰা ফুলাম মাইহাং, ৰূপ মাইহাং, ৰূপৰ দ'ল, বানবাতি, ৰূপৰ বেৰাকাঁহী, ৰূপৰ মচলা থোৱা টেমা, তামৰ ৰূপ খটোৱা দ'লবটা, ৰূপৰ ভোগজৰা, তামৰ ফুলকটা লোটা, ৰূপৰ বনকৰা তামৰ ভৃঙ্গাৰ, ৰূপৰ ফুলাম থাল, ৰূপ খজোৱা বৰশৰাই, ৰূপৰ ফুলাম সৰু বানবাটি, ফুলবচা কাঁহৰ লোটা, ঔবখলীয়া কাঁহৰ বটা, কাঁহৰ চকচকি লোটা, কাঁহৰ জালিকটা সৰু দ'ল শৰাই, গদাধৰ সিংহই ব্যৱহাৰ কৰা কাঁহী-বাটি আৰু বানবাটি, তামৰ ৰূপ খটোৱা দ'লকটা, তামৰ

ফুলকটা লোটা, তামৰ দক্ষিণাৱৰ্ত শঙ্খ, কাঠৰ দ'ল শৰাই, কাঠৰ খৰম, কাঠৰ মালাটেমা, কাঠৰ জপা, কাঠৰ শৰাই, পিতলৰ সৰু লোটা, কেৰু (পিতলৰ), কালি (পিতলৰ), হেংদান, কিৰিপ, মান শৰাই, হেঙুল হাইতাল বোলোৱা নৌকা, সাঁচিপাতৰ পুথি, বিভিন্ন জাতিৰ পোছাক আদি বৈজ্ঞানিক পদ্ধতিৰে সজোৱা আছে। প্ৰতিটো বস্তুৰে অসমীয়া আৰু ইংৰাজীত নাম লিপিবদ্ধ কৰা আছে যাতে সহজতে বুজিব পাৰে।

আউনীআটী সত্ৰৰ পুথিভঁৰালটো পৰ্যটনৰ বাবে উল্লেখযোগ্য সম্পদ। য'ত সংৰক্ষিত হৈ আছে বহু পৌৰাণিক সাঁচিপাতৰ পুথি। সত্ৰসমূহ আছিল সাহিত্য চৰ্চাৰ কেন্দ্ৰ স্থল। সত্ৰতে ৰচিত হৈছিল-গীত, নাটক, চিত্ৰ ভাস্কৰ্যৰ সম্পদ। সেই পুথিসমূহ পদ্ধতিগতভাৱে সজাই পুথিভঁৰালত সংৰক্ষণ কৰি ৰাখিছে। আউনীআটী সত্ৰৰ পুথিভৰাঁলত ২২টা আলমাৰিত পুথিসমূহ ৰখা হৈছে। মূল্যবান গ্ৰন্থৰ মুঠ সংখ্যা-১০৬ খন। আলমাৰি অনুসৰি তালিকা আছে যাতে সহজতে দৰ্শনাৰ্থীয়ে পুথিসমূহ বিচাৰি পায়।

সত্ৰৰ সন্মুখত থকা ব্যৱসায়িক দোকানবোৰ তথা সত্ৰখন অৰ্থনৈতিক ভাৱে লাভান্বিত হোৱা দেখা যায়। সংগ্ৰহালয় আৰু পুথিঘৰ দৰ্শনৰ বাবদ এজন ব্যক্তিৰ পৰা গড়ে ১০ টকা লয়।

সত্ৰখনত পৰ্যটকৰ বাবে ৰাতি থকাৰ সুবিধা আছে। আউনীআটী সত্ৰত দুইধৰণৰ পৰ্যটক দেখা পোৱা যায়। (ক) সত্ৰৰ শিষ্য (খ) দেশ-বিদেশৰ দৰ্শনাৰ্থী। সত্ৰৰ শিষ্যসকলে নিৰ্দিষ্ট বহাত ৰাতি বাস কৰে। আনহাতে সত্ৰখনত চিনাকি নথকা দেশী বিদেশী পৰ্যটকসলে সত্ৰৰ অতিথিশালাত বাস কৰে। সত্ৰৰ বহাত থকাৰ বিনিময়ত পইচা দিবলগীয়া নহয়। আনহাতে অতিথিশালাত থকাৰ বাবে পইচা দিব লাগে। অতিথিশালা পৰিচালনা কৰা নিৰ্দিষ্ট ব্যক্তি থাকে।

আউনীআটী সত্ৰত পৰ্যটক বেছি হোৱা সময়বোৰ হ'ল— ৰাস উৎসৱ, পালনাম, গুৰু তিথি, ভাওনাসমাৰোহ, নামসমাৰোহ আদি।

গড়মূৰ সত্ৰখনো পৰ্যটনৰ বাবে উল্লেখযোগ্য ধৰ্মীয় স্থলী। গৃহস্থী সত্ৰখনত নৈমিত্তিক পৰম্পৰাই পৰ্যটকক আকৰ্ষণ কৰে। সত্ৰখনত সংগ্ৰহালয় নাই। পুথিভঁৰাল আছে কিন্তু পদ্ধতিগতভাৱে গ্ৰন্থসমূহ ৰখা হোৱা নাই। ৰাজসত্ৰৰ ভিতৰত গড়মূৰ সত্ৰৰ নাম উল্লেখযোগ্য। সত্ৰখনত ৰজাই দানস্বৰূপে দিয়া সম্পদ আছে যদিও দৰ্শনাৰ্থীৰ বাবে বৰ্তমানলৈকে উপলব্ধ কৰা নাই। সত্ৰখনৰ

সন্মুখতে এখন অতিথিশালা আছে। দৰ্শনাৰ্থীয়ে ৰাতি বাস কৰিব পাৰে। ভকতসকল গৃহস্থী হোৱা বাবে সকলো সময়তে সত্ৰখনত ভকতক লগ পোৱা নাযায়। ঐতিহাসিক ক্ষেত্ৰ হিচাপে সত্ৰখনতো পৰ্যটকৰ আগমণ ঘটে।

সত্ৰখনত পৰ্যটকৰ পয়োভৰ দেখা যায়— পালনাম,গুৰু-তিথি, ৰাস উৎসৱ আদিত।

বৰপেটা জিলাখনো সাংস্কৃতিক পৰ্যটনৰ এখন উল্লেখযোগ্য ঠাই। বৰপেটাত অসমৰ নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰক শংকৰদেৱ-মাধৱদেৱকে আদি কৰি সন্ত মহন্ত সকলে নিগাজিকৈ থাকি ধৰ্ম প্ৰচাৰ কৰিছিল। বৰপেটাতে তেওঁলোকৰ দ্বাৰা প্ৰতিষ্ঠিত সত্ৰসমূহ আছে। লগতে ঐতিহাসিক কীৰ্তিচিহ্নসমূহ সংৰক্ষিত হৈ আছে। বৰপেটাত থকা থান সত্ৰসমূহৰ ভিতৰত উল্লেখযোগ্য বৰপেটা সত্ৰ। সত্ৰখনত গৃহস্থী আৰু উদাস দুয়োবিধ ভকতেই আছে। সত্ৰখনত বৰ্তমান ২৬ টা হাটী আছে। এই হাটীবোৰ বৰপেটাসত্ৰৰ মাটিতে অৱস্থিত। সত্ৰখনত পৰ্যটকৰ আকৰ্ষণ হ'ল তাৰ আধ্যাত্মিকতা। নিত্য নৈমিত্তিক প্ৰসঙ্গ আদি অনুষ্ঠানত স্থানীয় ভকতৰ সহাৰি আকষৰ্ণীয়। সত্ৰখনত স্থায়ী অতিথিশালা আছে। য'ত চাৰিটাকৈ কোঠা আছে। থকাৰ বিনিময়ত কোনো ধৰণৰ বৰঙণি লোৱা নহয়।

সত্ৰখনত পৰ্যটকৰ পয়োভৰ বেছি হোৱাৰ সময় হ'ল গুৰু তিথি আৰু দৌল যাত্ৰা। ওচৰতে গণকুছি, পাটবাউসী সত্ৰ, চীন পুৰা ভেটি আদি সত্ৰ থকা বাবে পৰ্যটকৰ বাবে সুবিধা হয়।

আউনীআটী সত্ৰ, গড়মূৰ সত্ৰ আৰু বৰপেটা সত্ৰত পৰ্যটনৰ প্ৰত্যক্ষ প্ৰভাৱৰ সমান্তৰাল ভাৱে স্থানীয় অঞ্চল তথা ৰাজ্যখনলৈকে পৰোক্ষ প্ৰভাৱ পৰে। অসম তথা ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকসকলে সত্ৰ পৰিদৰ্শন কৰিবলৈ অহাৰ ফলত যাতায়াত, থকা-খোৱাৰ প্ৰতিষ্ঠান আদি লাভান্বিত হয়। মাজুলী আৰু বৰপেটাত বিভিন্ন ব্যক্তিগত ৰেষ্টুৰেণ্ট, ল'জ আদি গঢ়ি উঠিছে। আনহাতে বিদেশী পৰ্যটকসকলে পৰ্যটনৰ বাবে অহাৰ লগে লগে পৰোক্ষভাৱে অসমৰ অৰ্থনীতিৰ ক্ষেত্ৰখনত প্ৰভাৱ পৰে।

**প্ৰসংগ পুথি**

গোস্বামী, পীতাম্বৰ দেৱ। *চিন্তা-বৈভৱ*। এ.কে প্ৰকাশন। ২০১৯।

গোহাঁই, হীৰেণ । *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা*। কৌস্তুভ প্ৰকাশন।২০১৪।

তামুলী, যোগেন। *বিষয় ঃ শংকৰদেৱ-মাধৱদেৱ*। মাধৱদেৱ মহাবিদ্যালয় প্ৰকাশন। ২০১৮।

নাথ , ডম্বৰুধৰ। *আধুনিকতাৰ উন্মেষত শ্ৰীশ্ৰী আউনীআটী সত্ৰ*। ২০০৪।

শৰ্মা, তীৰ্থনাথ। *আউনীআটী সত্ৰৰ বুৰঞ্জী*। আউনীআটী সত্ৰ। ১৯৭৫।

হাজৰীকা, চন্দ্ৰ (সম্পা.)। *নাৰায়ণজ্যোতি*। শংকৰদেৱ সংঘ । ২০১৯।

হোছেইন, ইছমাইল । *বৰপেটা সত্ৰঃ ঐতিহ্য আৰু বিতৰ্ক*। নন্দন প্ৰকাশ। ২০১৭।

rice-season - https://www.rkbassam.inn/asm/rice-season (১২/০৯/২০২২, ১.৩০)